

নীলাবাঘর

কুল গীগং

নীলাবাথৰ

শ্ৰীকুলনাথ গগৈ, বি-এ

প্ৰকাশক

লেখক।

প্ৰচ্ছদপটশিল্পী

শ্ৰীব্ৰজনাথ ফুকন

নগাওঁ।

প্ৰথম সংস্কৰণ

নভেম্বৰ, ১৯৫৬

মুদ্ৰাকৰ

শ্ৰীকালীচৰণ পাল

নবজীৱন প্ৰেছ

৬৬ গ্ৰে ষ্ট্ৰীট,

কলিকতা-৬

মূল্য : এটকা চাৰি অনা মাত্ৰ।

[লেখকৰ দ্বাৰা সৰ্ব্বস্বত্ব সংৰক্ষিত।]

পাতনি

শ্ৰীকুলনাথ গগৈ অসমীয়া গল্প সাহিত্যৰ ক্ষেত্ৰত সুপৰিচিত। ইতিপূৰ্ব্বে তেওঁৰ এখন গল্পৰ পুথি প্ৰকাশ হৈছে; সেই পুথিয়ে পাঠকৰ পৰা যথেষ্ট সমাদৰো লাভ কৰিবলৈ সমৰ্থ হৈছে। তাত থকা গল্প সমূহৰ উপৰিও বিভিন্ন অসমীয়া আলোচনীত গগৈৰ ভালেখিনি গল্প সিঁচৰতি হৈ আছে। সেইখিনি সংগ্ৰহ কৰি প্ৰকাশ কৰিব পাৰিলে গগৈৰ প্ৰতিষ্ঠা আৰু বাঢ়িব বুলি আশা কৰিব পাৰি। অসমীয়া মধ্যবিত্ত আৰু কৃষক জীৱনৰ চিত্ৰ অঙ্কন কৰাত শ্ৰীগগৈৰ দক্ষতা আছে।

'নীলাবাখৰ' আখ্যানটো এটা দীঘলীয়া গল্প। চুটি গল্পৰ সকলো আঙ্গিক লক্ষণ বিদ্যমান নাই বুলিয়েই এই আখ্যানটিক দীঘলীয়া গল্প বুলিছো। আখ্যানটিত নিঃসঙ্গ জীৱনৰ বেদনা আৰু মহিমাময়ী নাৰীৰ সংস্পৰ্শত সেই জীৱনত পোহৰৰ ৰেঙনি পৰি যি অৱস্থাৰ সৃষ্টি হৈছে তাক বৰ্ণনা কৰা হৈছে। আমাৰ সমাজে বিবাহিতা নাৰীৰ লগত পৰপুৰুষৰ সম্বন্ধ, সেই সম্বন্ধ যিমানেই কামগন্ধহীন নহওক লাগে সন্দেহৰ চকুৰে চায়। সামাজিক বিশ্বাস পৰম্পৰাৰ উত্তৰাধিকাৰী হোৱাৰ কাৰণেই বহুতো পুৰুষেই নাৰীৰ স্বাভাৱিক কল্যাণময়ী আৰু কৰুণাময়ী ৰূপটোকো কামনাৰ দৃষ্টিৰে চায়। বিশ্বকবি ৰবীন্দ্ৰনাথ

ঠাকুৰে তেখেতৰ 'ৰাত্রে ও প্রভাতে' নামৰ কবিতাটোত নাৰীৰ দেবী আৰু প্রেয়সী ৰূপ দুটাৰ সুন্দৰ বিৱৰণ দিছে। কামনা-কলুষ চিত্তত কিন্তু সাধাৰণতে প্রেয়সীৰ ৰূপটোহে প্রতিফলিত হয়, ফলত হয় ভুলৰ সৃষ্টি। 'নীলাবাখৰ' আখ্যানটোৰ নায়কেও নিঃসঙ্গ বেদনাবিধুৰ জীৱনত "তেওঁৰ" সহানুভূতিশীল ব্যৱহাৰ আৰু সান্নিধ্য লাভ কৰি জীৱনত নতুন দীপিতিৰ আভাস পাইছিল যদিও "তেওঁৰ" সান্নিধ্য দান আৰু সহানু-ভূতিসূচক ব্যৱহাৰক যৌন আবেদনৰ অভিব্যক্তি বুলি ভুল বুজি শেষত অনুতপ্ত হৈছে। সেই অনুতাপত কোনো আক্ষেপ নাই বৰং "তেওঁৰ" প্রতি হৃদয়ভৰা কৃতজ্ঞতা আৰু শ্রদ্ধা আছে। জুইত পোৰা সোণৰ দৰে গল্পৰ নায়কৰ অন্তৰ পৰিশুদ্ধ হৈছে। গল্পটোৰ সুষ্ঠ আৰু সৰল আদর্শ প্রশংসনীয়।

শ্রীগগৈৰ ভাষাৰ এটা নিজস্ব বৈশিষ্ট্য আছে। চুটি চুটি বৃত্তগন্ধী বাক্যৰ যোগেদি ভাৱাবেগৰ মধুৰতা আৰু তীব্রতা প্রকাশ কৰাত বিশেষ দক্ষতা প্রকাশ কৰিছে। আখ্যানটোৰ বর্ণনা-ভঙ্গীত গীতিকাব্যৰ স্নিগ্ধতা উপলব্ধি কৰা যায়। শ্রীগগৈৰ "নীলাবাখৰে" ভাষা-জননীৰ অঙ্গ অলংকৃত কৰিবলৈ যেন সক্ষম হয়, এয়ে আমাৰ শুভেচ্ছা।

২০।১২।৫৬ **শ্রীসত্যেন্দ্রনাথ শর্ম্মা**

পাতনিত দু-আষাৰ লিখি 'নীলাবাখৰ'লৈ শুভেচ্ছা জনোৱাৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক শ্ৰদ্ধেয় ডাঃ সত্যেন্দ্ৰনাথ শৰ্ম্মা, এম. এ., পি. এইচ্. ডি. দেৱলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

বেঁটুপাতৰ ছবিখন আঁকি দিয়াৰ বাবে শ্ৰীব্ৰজনাথ ফুকন দেৱক মোৰ মৰম আৰু শলাগ জনালো।

পুথিখন সুকলমে ছপাই উলিয়াই দিয়াৰ বাবে নবজীৱন প্ৰেছলৈ ধন্যবাদ।

শেষত, এইখিনিতে নীলাবাখৰৰ পঢ়ুৱৈ সকললৈ মোৰ আন্তৰিক প্ৰীতি আৰু ওলগ জনাই থলো।

লেখক

নীলা বাখৰ ॥

আজি তেখেত নাই বুলি মই জানো। আৰু সেই বুলিয়েই দৃঢ়সঙ্কল্প হৈ তালৈ গৈছো। প্ৰায়েই যাওঁ। তেখেত থাককে বা নেথাককে। সহাঁৰি পাওঁ যথেষ্ট। কিন্তু সুযোগ নাই। আমাৰ মাজত আকাশ-লঙ্ঘা প্ৰাচীৰ। একোৰেই হৈ নুঠে। একোৰে প্ৰকাশ কৰিব নোৱাৰি।

বহুত কথা আমাৰ মাজত হয়। বৰবজাৰত শাক-পাচলি, মাছৰ দাম, চাকৰি-বাকৰি, প্ৰমোচন, উপন্যাস, সাহিত্য-গল্প, চিনেমা,—আনৰ ভাত-চৰুৰ কথা, অতীত ভবিষ্যত বৰ্ত্তমান ;—বহুত কথাই আমাৰ মাজত হয়।

কিন্তু কম বোলা আচল কথাটোকে মোৰ আজিলৈকে কোৱা নহ'ল।

কোৱাই বা হয় কেনেকৈ। আমাৰ মাজত দুৰ্লঙ্ঘ্য বাধা ; তেখেতৰ আগত, কম বোলা কথাষাৰ নো কেনেকৈ কওঁ। তেখেত থকাৰ কাৰণে একোৰে কোৱা নহয়।

অথচ।

চকুমুখ, চাল-চলন আৰু মোৰ উপস্থিতিৰ লগে লগে প্ৰকাশ পোৱা উছাহ আনন্দ আৰু আগ্ৰহ, মোলৈ ইমান মৰম, এইবিলাকে কিহৰ সহাঁৰি দিয়ে!

তেওঁৰ মনটো মোৰ বুজিবলৈ আৰু বাকী নাই। নাৰীৰ মন জয় কৰাৰ আনন্দ! আঃ! নাৰীৰ মন জয় কৰাতকৈ পুৰুষক আৰু কি লাগে? বিশ্বজয়ী আলেকজেণ্ডাৰৰ গৌৰৱ আৰু আনন্দেৰে মোৰ মন আজি উৎফুল্লিত।

মোৰ শূন্য আৰু হাহাঁকাৰ মন আজি প্ৰাপ্তিৰ তৃপ্তিৰে ভৰপূৰ।

এজন ডেকাই এগৰাকী অবিবাহিত গাভৰুৰ মন জয় কৰিব পৰাটো একো কথাৰ কথায়েই নহয়। অনূঢ়া ছোৱালী এজনীক এজন মনৰ মানুহৰ প্ৰয়োজন। ৰূপ-যৌৱন সম্পন্ন এজন ডেকাক এজনী গাভৰু ছোৱালীয়ে ভাল পোৱাটো তেনেই সাধাৰণ কথা। এজনী গাভৰুক এটা ডেকাৰ প্ৰয়োজন। গতিকে ভাল পোৱাটোও স্বাভাৱিকেই নহয়।

—দৰকাৰো।

কিন্তু!

মোৰ ক্ষেত্ৰত!

বহুত ছোৱালীক মই ভাল পাইছিলো; বহুত গাভৰুৰ মই

মন জয় কৰিব পাৰিছো বুলি বুকু ফুলাই কব নোৱাৰিলেও অন্ততঃ বুকু ডাঠি কব পাৰো যে, মই বহুতৰেই দৃষ্টি আকৰ্ষণ কৰিছো, বা কৰিব পাৰিছো। সেইবুলি মই নকওঁ যে, মই এজন সু-পুৰুষ বা অকণমান অখ্যাত চহৰখনৰ এজন খ্যাতি-মান, সকলোৰে জনাজাত ব্যক্তি। যেনে ;—নতুনকৈ বদলি হৈ অহা এজন ডেকা মেজিষ্ট্ৰেট্।—এজন অবিবাহিত উচ্চপদস্থ চৰকাৰী চাকৰিয়াল।

—কেপিটেল আৰু বেঙ্ক-বেলেঞ্চৰে সৈতে জমিদাৰী নহলেও 'প্ৰপাৰটি' থকা সম্ভ্ৰান্ত সন্তান।

গুৰিশকত চহকী ব্যৱসায়ী ; 'কন্ট্ৰেক্টৰ'।

—বিশ্ববিদ্যালয়ৰ উচ্চ উপাধিৰে পণ্ডিত মানুহ বা দিক্-পাল সাহিত্যিক।

এইবিলাক একোৰেই একোতে মই নপৰো—যিবিলাকৰ গুণ আৰু বস্তুৰে মই চহৰখনত বিখ্যাত হৈ পৰিব পাৰো। বিশেষকৈ গাভৰু মহলত ; কন্যাদায়-গ্ৰস্ত পিতৃ সকলৰ মাজত।

গাভৰু সকলৰ মনৰ নায়ক, দৃষ্টিৰ লক্ষ্য হব পৰা বিষয়-বস্তু মোৰ একোৰেই নাই। আনকি মোৰ এজোৰ ভাল দামী 'চুট', পৰিপাটি পোছাক নাই, যি হয়তো সুন্দৰী সাধাৰণ্যৰ দৃষ্টি আকৰ্ষণ কৰিব পাৰে।

তথাপি মই বঞ্চিত নাছিলো।—

খদ্দৰৰ পাঞ্জাবী আৰু ধুতীখনৰে সৈতে মই এটা জধলা মানুহ। অখ্যাত আৰু সকলোৰে অৱহেলিত এটা চাকৰি— জীৱিকাৰ সংস্থান। তাকো চৰকাৰী হোৱা হলে এটা কথা আছিল। 'ফিউচাৰ্ প্ৰচ্‌পেক্ট' আন নেথাকিলেও ত্ৰিশবছৰৰ পিচত এটা পেঞ্চনৰ কথা ভাবি অন্ততঃ নিশ্চিন্ত হব পৰা গ'ল হেঁতেন। সাধাৰণ দৃষ্টিৰে কবলৈ গ'লে, জীৱন সম্বন্ধে মোৰ তেও এটা গত লাগিল হেঁতেন।

—মই নিজে কিন্তু দূৰদৰ্শীও নহয়,—অতীতদৰ্শীও নহয়। বৰ্ত্তমান সম্বন্ধে যে মোৰ কিবা পাব বা চাবলগীয়া আছে সিও নহয়।

অতীতলৈ চাবলৈ মোৰ ভয় লাগে। ঠিক ভয় নহয়। এৰি অহা সংঘৰ্ষ আৰু সংঘাত বোৰৰ কথা ভাবিলে চক্ নেখালেও ক্লান্ত হৈ পৰো।

—অলপ ভাবিব পৰা হোৱাৰ পৰাই জীৱন সম্বন্ধে একো নেভাবিলেও জীৱিকা সম্বন্ধে সচেতন হব লগীয়া হৈছিল। মোৰ মা-দেউতা নিশ্চয় আছিল। কিন্তু মনত নপৰে। ঘৰ এখনো থকাৰে কথা। কিন্তু মোৰ ঘৰো নাছিল।

আৰু।

আৰু তাৰ বাহিৰে যে মোৰ কিবা আছিল মনত নপৰে। নামটো আৰু লোকৰ মুখে মুখে কোৱাকুই কৰাত মই জানো, —মই এজন সম্ভ্ৰান্ত বংশৰ একমাত্ৰ উত্তৰাধিকাৰী।

বংশটোৰহে। জীৱিকা আৰু সামাজিক মৰ্য্যাদাৰ বাবে প্ৰয়োজন,—সম্পত্তি বা আন বিষয়বস্তুৰ নহয়।

কোনোবা এটা সম্ভ্ৰান্ত বংশৰ একমাত্ৰ সৰ্ব্বহাৰা উত্তৰাধিকাৰী। কবলৈকো মই কেতিয়াবা দ্বিধা বোধ কৰো।

কৃতিত্ব মোৰ একোৱেই নাই। পাৰ্থিব বা অপাৰ্থিব; যশ, প্ৰতিষ্ঠা, বিষয়-বুদ্ধি।

সৰু কালৰ পৰাই জীৱন কি বস্তু বুজিবলৈ বা ভাবিবলৈ আহৰি পোৱা নাই। জীৱিকাৰ বাবে কৃচ্ছ সাধন কৰোতেই গৈছে আৰু এতিয়াও নিজৰ পেটৰ কাৰণে ছুবেলা ছুমুঠি উলিয়াওঁতেই দিনাতিপাত হয়। তথাপি বিষয়-বুদ্ধি মোৰ এতিয়াও হোৱা নাই। হব যে, তাৰো আশা কম।

মূলধন মোৰ একো নাছিল। জীৱিকাৰ বাবে বহুত কষ্ট স্বীকাৰ কৰি, বহুত অৱহেলা, বহুত লাঞ্ছনা আৰু বাধা-বিঘিনিৰ মাজেদি এটা 'মিনিমাম্' ডিগ্ৰী সংগ্ৰহ কৰিলো—জীৱিকা নিৰ্ব্বাহৰ বাবেই। আৰু সেয়ে মোৰ মূলধন।

সৰুৰে পৰাই কষ্ট স্বীকাৰ কৰি, কৃচ্ছ সাধনৰ মাজত উঠাৰ কাৰণে জীৱন সম্বন্ধে মই বে-ফিকিৰ; বিষয়-বুদ্ধি নথকাৰ কাৰণে নিৰ্ব্বিকাৰ।

—ভেঞ্চাৰ বা এইডেড্, যি কোনো এখন স্কুলৰ মাষ্টৰী আৰু টকা আশীটা—মোৰ 'মিনিমাম্' উপাৰ্জ্জন সম্বন্ধে মই নিশ্চিন্ত।

আমাৰ নিচিনা অৱস্থাত উঠি তাতকৈ আৰু বেচি আশা কৰাটো দূৰাশা বুলিয়ে মই ভাবো।

জীৱনৰ ভৰ আৰম্ভণিতে জীৱিকাৰ বাবে যুঁজ কৰি কৰি ভাগৰি এতিয়া এই ধৰণেই নিজক সান্ত্বনা দি নিজিৰালে উপায়ো নাই।

জীৱিকাৰ বাবে মোৰ মূলধন থাকিল। কিন্তু জীৱনটো মোৰ হাহাঁকাৰ ভাবেই গৈছে। জীৱনৰ মূলধন মোৰ কি আছে যে, যাক লৈ মই গৌৰৱ কৰিব পাৰো; মোৰ নিজৰ জীৱনটোৰ প্ৰতি মোহ বা আকৰ্ষণ থাকিব পাৰে!
—কৃতিত্ব, যশ-মান, খ্যাতি, ধন-ৰত্ন, মৰম-প্ৰীতি, সংসাৰৰ বান্ধোন,—কি মোৰ আছে বা কি মোৰ আছিল? সউ সিদিনালৈকে মোৰ একোৱেই নাছিল।

এই দুবাহু-দেহৰ পৰিশ্ৰম, মূৰ-মগজৰ খাটনিৰে আনৰ অনুগ্ৰহ-দান আদায় কৰি কোনোৰকম জীৱিকাৰ বাবে এটা মূলধন সংগ্ৰহ কৰিলো। কিন্তু জীৱিকালৈ চাওঁতে জীৱনৰ মূলধন একোৱে গোটাব পৰা নহ'ল। একোৱে গোটাবলৈ সময় নহ'ল।

সেই সম্বন্ধে চিন্তা কৰাৰ অৱসৰে বা আছিল ক'ত! মোৰ নিজৰ দেহ আৰু দুবেলা দুমুঠি খোৱা, অলপ শিক্ষা পোৱাৰ অকণমান আশা, তাৰ বাহিৰে মোৰ কি আছিল! মোৰ নিজৰ দেহটোৰ বাহিৰে মোৰ একোৱে নাছিল। মোৰ মন বুলি এটা বস্তুৱে হয়তো নাছিল। জীৱন সম্বন্ধে সেয়েহে মই একেবাৰে নির্ব্বিকাৰ হৈ পৰিছিলো।

সাধাৰণ পান-দোকানীৰ পৰা পঞ্চাশ-হাজাৰ, লাখ, মূলধন গোটোৱাৰ দৃষ্টান্ত বহুত আছে। মোৰ অৱস্থাৰ বহুত মানুহে জীৱনত উন্নতি কৰিছে ; প্রতিষ্ঠা লাভ কৰিছে।

মোৰ দুখৰ কথাখিনি কবলৈ গৈ সেইখিনি মোৰ একান্ত অকলৰ বুলি দাবী নকৰো। আৰু "মোৰ দুখৰ কথা কাৰ আগত কৈ যাম, কোনে পতিয়াব' বুলি বিননিও নুজুৰো।

পান দোকান এখনেৰে জীৱনটো আৰম্ভ কৰি বিষয়-আশয় আৰু ধন-মানৰে প্রতিষ্ঠা লাভ কৰিবও পাৰিলো-হেঁতেন নেকি!

সেই কাৰণেই হব পায়, কি কৰিব পাৰিলোহেঁতেন, বা কি কৰিব নোৱাৰিলো, ইত্যাদি একো অভিযোগ উত্থাপন কৰাৰ অভিপ্রায় মোৰ নাই। ঘাত-প্রতিঘাতৰ মাজেদি ডাঙৰ হৈছো বুলি গৌৰৱ কৰিবলৈকো মোৰ নাই। নিজৰ

দুখৰ কথাৰে আনৰ পৰা সহানুভূতি আদায় কৰাৰো ইচ্ছা একেবাৰেই নাছিল। নাইও।

কাৰো আগত সেয়েহে আজিলৈকে সেইবোৰ কথা একো কোৱা নাই।

সেইবোৰ কথাৰে বিননি জুৰিবলৈ গলে সাধাৰণে হয়তো কব—কোনোবা খিলিপান দোকানীৰ কথা; দৃষ্টান্ত দিব খিলিপানৰ দোকানী মহাজন হোৱাৰ কাহিনীৰে বা বহুত ঘাত-প্ৰতিঘাত, বাধা-বিঘিনি আৰু কষ্টৰ মাজেদি কোনোবা বেপাৰীৰ পুতেক উকীল হৈ অজস্ৰ ধন ঘটাৰ কথাৰে।

ধন-বস্তু, সম্পত্তি, টকা-পইচা আৰু সুখ! মোৰ হাঁহি উঠে।

ধন-বস্তু, টকা-পইচা, সুখ!

মোৰ বুদ্ধি আৰু মানুহটোকে বহুতে কিনিবলৈ বিচাৰিছিল। নেবেচিলো।

দুবছৰৰ আগৰ এন্ধাৰ অতীতৰ কিমান কাহিনী মোৰ থূপ খাই আছে। কাৰো আগত নোকোৱাকৈয়ে (হয়তো কবৰ মানুহ, শুনিবৰ মানুহ কোনো নথকাৰ কাৰণেই) মনৰ দুখ মনতে মৰহি গৈছে। কাকো হয়তো কোৱাও নহব।

নকওঁ বুলি দুখৰ কাহিনী কৈ কাৰো সহানুভূতি মই বিচৰা নাই।

স্পৰ্শ-কাতৰতা মোৰ অলপ বেচি। সকলৰে পৰা মৰম-চেনেহ নোপোৱাৰ কাৰণেই বোধকৰো, বা প্ৰীতিৰ বান্ধোন ক'তো নথকাৰ কাৰণে; অভিমান কৰিবৰ ক'তো থল নথকাৰ কাৰণে।

দুবছৰৰ আগৰ মোৰ বহুত কথা কবলগীয়া আছিল। থাকে। কিন্তু কাৰো আগত কোৱাৰ ইচ্ছা মোৰ নাছিল। কোৱা নাই। নকওঁ বুলিও থিৰাং কৰিছিলো। কিন্তু কিয় জানো মোৰ দুখৰ কথা, মোৰ জীৱন কাহিনী তেওঁৰ আগত কোৱাৰ একান্ত ইচ্ছা আছিল। কবলৈ মন গৈছিল। আৰু মোৰ প্ৰবল ইচ্ছাক মই ৰোধ কৰিবও নোৱাৰিলো। তেখেত আৰু তেওঁৰ আগত সেয়েহে মই বহুত সন্ধিয়া বহি বহি অনৰ্গল ভাবে অসংলগ্ন বহুত কথা কৈ কৈ ৰাতি কৰি দিছিলো। আৰু তেওঁলোকৰ অনুৰোধত তাতেই খাই-বই বহুত নিশাহে মোৰ থকা ঠাইলৈ উলটিছিলো।

(জীৱনত মই ইমান প্ৰীতিৰ আহাৰ কোনোদিনেই খোৱা নাছিলো। তেওঁলোকক মোৰ অন্তৰৰ অন্তৰতম অসংখ্য ধন্যবাদ। তেওঁলোকৰ কথা মই কোনোকালেই পাহৰি নেযাওঁ। পাহৰিব নোৱাৰো।)

আপোন মানুহৰ মৰম কি তেখেতসকলেই মোক প্ৰথম জানিবলৈ সুযোগ দিছিল।

অনাত্মীয় এই সৰু চতৰখনত [আত্মীয় মোৰ ক'তো নাছিল] দুবছৰৰ ভিতৰত মোৰ আগৰ ছোৱা কালৰ দুখ-বেদনা আৰু কষ্টৰ কথা প্ৰায় পাহৰিয়ে গৈছিলো।

শনি মোৰ পৰা বিদায় গ্ৰহণ কৰিছিল ; মঙ্গলৰ প্ৰভাৱ।

দুখ-বেদনা আৰু ঘাত-প্ৰতিঘাতৰ জুইত পুৰি মই উজ্জ্বল হৈ পৰিছিলো। কোনোকালেই মৰম-চেনেহ নোপোৱাৰ কাৰণে মৰম-প্ৰীতিৰ হেপাহ মোৰ প্ৰৱল। মোৰ বঞ্চিত মৰুভূমিলৈ ওৱেচিচ্ নামি আহিল। মনৰ মৰমৰ হেপাহে মোক ধুনীয়া কৰি তুলিলে। শিল্পী নহলেও মৰমৰ আশীৰ্ব্বাদে মোৰ মনত সুন্দৰৰ সৃষ্টি কৰিলে।
বঞ্চিত আৰু অৱহেলিত মোৰ মনৰ আশাৰ আবেগে, মনৰ মৰমে মোক দিলে শিল্পীৰ সৌন্দৰ্য্য আৰু কোমলতা। মই হৈ পৰিলো সুন্দৰ।

অসুন্দৰ পৃথিবীত সুন্দৰৰ সৃষ্টি ; সুন্দৰৰ বেহানি।

সুন্দৰাগ্নিত পতঙ্গ—প্ৰেমিকৰ আত্মাহুতি দিবৰ বাবে বাউলী মন।
মই জুই আৰু সিহঁত পতঙ্গ।
কিন্তু মই বনজুই নহয় ; চাকিৰ শিখা নহয়। হব নোৱাৰিলো।

চিম্‌নিৰে আৱৰা লেমৰ পোহৰ। হাতেৰে চুই নোপোৱা আৱৰণৰ ভিতৰৰ দীপ-শিখা।

পতঙ্গ আত্মাহুতি দিবলগা হোৱা নাই; নহ'ল। দূৰৈৰ পৰাই অনাহুত আকৰ্ষণ।

পাৰ হৈ যোৱা দুটা বছৰৰ প্ৰতি অশেষ ধন্যবাদ। নমস্কাৰ নজনাই নোৱাৰিলো।

—মোৰ জীৱন মৰুভূমিলৈ নামি অহা ওৱেচিচ্!

শনি মোৰ পৰা বিদায় গ্ৰহণ কৰা নাছিল। পৰীক্ষাতে কৰিছিল হব পায়।

পানী মেলি সোঁতৰ বেগ চোৱাৰ আনন্দ!

মঙ্গলৰ প্ৰভাৱ আৰু কোনোদিনেই নপৰিব। শনিৰ লগ্নত মোৰ জন্ম।

বহুত দুখ দিছিল; শাৰীৰিক, দেহৰ কষ্ট, দুখটোক বেচি কৰি তুলিবৰ বাবেই এই দুবছৰৰ আশীৰ্ব্বাদ মঙ্গলৰ প্ৰভাৱ নহয়। শনিৰ দুৰ্ব্বুদ্ধি—দুষ্ট-বুদ্ধি।

আচল ঠাইত, অন্তৰো অন্তৰতম স্পৰ্শকাতৰ অনুভূতি-শীল প্ৰাণত শেষ আঘাত হানিবৰ বাবে এয়া আগতীয়া প্ৰস্তুতি।

বুজাৰ সাধ্য কি!

—ভাত-ৰান্ধনি, মেচৰ পাচনি লৰা, লৰা পঢ়োৱা, মহাজনৰ খাটা লিখা আদিৰ পৰা মটৰৰ হেণ্ডিমেনলৈকে নকৰা কাম মোৰ নাই। এই বিলাক বেয়া কাম বুলি মই কোনোদিনেই ভবা নাছিলো। এতিয়াও নেভাবো। জীৱিকাৰ বাবে পৰিশ্ৰম কৰাটো কোনো মতেই হীন হব নোৱাৰে।

ঢাপে ঢাপে আগবাঢ়ি আহিছো। ক'তো পৰাঙ্মুখ হোৱা নাই। নিজৰ প্ৰয়োজনৰ বাবে কি মই কৰা নাই! তাৰ বাবে কিমান দুখ, লাঞ্ছনা গঞ্জনা সহিবলগা হৈছিল!

নীতিবাদী মই নাছিলো। নীতিবাদৰ বুলি আওৰাবলৈ, নৈতিকতাৰ সীমা ৰাখি চলিবলৈ, ভাল-বেয়াৰ বিচাৰ কৰি চলিবলৈ মোৰ সুযোগ ক'ত!

লাঞ্ছনা গঞ্জনা, অপবাদ, প্ৰৰোচনা, জবৰদস্তি, বলপ্ৰয়োগ; —চৰিত্ৰ ভালে ৰাখিবৰ মোৰ কোনো উপায়েই নাছিল।

সৰুতে গৰু ৰখি পাঠশালাত পঢ়িলো। পণ্ডিতৰ ভাত ৰান্ধি, কাপোৰ-কানি ধুই কোনো ৰকম এম. ভি. পাচ কৰিলো। তাৰ পিচত আৰম্ভ হল মোৰ দুখপূৰ্ণ অনিশ্চিত বাধাসঙ্কুল জীৱন। পঢ়াৰ একান্ত আগ্ৰহ আছিল। চহৰলৈ আহিলো। অ'ত ত'ত, মেচে মেচে, বাগৰি, কেতিয়াবা কোনো গৃহস্থৰ ঘৰত থাকি পঢ়াশুনাৰ সুবিধা কৰিবলৈ যত্ন কৰিছিলো, সুবিধা কোনোদিনেই নহ'ল। কিন্তু পঢ়িলো।

বহুত ঠেকা-ঠুকলি খাই কঠিন হৈ উঠা মোৰ দেহত কি আছিল, মই নিজেই কব নোৱাৰো। মনটো হলে নির্ব্বিকাৰ আছিল।

কিমান প্রলোভন!

আৰু মোৰ নির্ব্বিকাৰ মনে সেই প্রলোভনো সহজ ভাবেই গ্রহণ কৰিছিল। দেহে কিবা আনন্দ পাইছিল বুলি অৱশ্যে মই নেভাবো।

কিমান প্রলোভন আৰু বঞ্চনা!!

বঞ্চনাও মই পাইছিলো।—কিন্তু সেই বঞ্চনাই মোৰ মনত একো ৰেখাপাত কৰিব পৰা নাছিল। ঠেকা-ঠুকলি খাই শিল হৈ যোৱা দেহত আৰু কি আঘাত দিব!

তথাপি কিমান প্রলোভন, কিমান বঞ্চনা, আৰু পৰিণামত ডলাৰ বগৰীৰ দৰে কিমান বাগৰ!

সিহঁত মোৰ কাৰণে পাবলৈ যেনে সহজ আছিল, এৰি দিয়াতো ঠিক তেনেই সহজ আছিল। সিহঁতৰ মই খেলৰ পুতলা আছিলো। ধাৰণাবোৰো সিহঁতেই মোৰ মনত সোমাই দিলে। সিহঁতেই মোক বাট দেখুৱাই দিলে।

অথচ মোৰ পঢ়া বজাই ৰাখিছিলো।—পঢ়াৰ কাৰণে ফিজ, কিতাপ আৰু অন্যান্য আনুষঙ্গিক খৰচৰ বাবে মই ভাল-বেয়া সকলো উপায়েই অৱলম্বন কৰিছিলো।

ভাত-ৰান্ধনি থাকোতে মই বজাৰৰ পইচা ইফাল-সিফাল কৰিছিলো। মেচৰ পাচনি লৰা হৈ থাকোতে চুৰ কৰিছিলো। গৃহস্থৰ ঘৰত লৰা পঢ়াওঁতে গাভৰুহঁতৰ মন যোগাব নোৱাৰিলেও দেহৰ সমল যোগাইছিলো।—তেওঁবিলাকৰ দেহ বিলাসৰ সামগ্ৰী।

প্ৰেম নাছিল ; আছিল ভোক, ক্ষুধা।
পেট আৰু দেহৰ।
মৰম মোক কোনেও কৰা নাছিল ; মইও ক'তো প্ৰেমত পৰা নাছিলো।
মৰম দিবলৈকো মোৰ ক'তো ঠাই নাছিল।

চৰিত্ৰহীন আৰু অৱহেলিত হৈ ইমান বাধা-বিঘিনি আৰু দুখৰ মাজেদিও মই বি. এ. পাচ কৰিলো।
মোৰ কি আনন্দ!
কিন্তু আনন্দ উপভোগ কৰাৰ সময় ক'ত?

উপভোগ দূৰৰ কথা, মোৰ জীৱনৰ প্ৰথম আনন্দ অনুভব নকৰাকৈ, উপভোগ নকৰাকৈয়ে এনেয়ে, কোনো উত্তেজনা নোহোৱাকৈয়ে পাৰ হৈ গ'ল।

আজি তিনিবছৰৰ আগৰ সেই এন্ধাৰ অতীতৰ ইতিহাস আৰু সেইবোৰ ঠাই, সেই সময় বহুত দূৰত এৰি থৈ এই সৰু চহৰখনত আজি দুবছৰে মই মাষ্টৰী কৰিছো।

চহৰখনত মোক কোনেও চিনি নেপায়। মোৰ কোনো আপোনজন নাই—মাতি এসাজ ভাত খুৱাবলৈ। অন্তৰ খুলি এষাৰ কথা কোৱাৰ এজন লগ নাই—সুখৰ দুখৰ কথা পাতি সময় কটাবলৈকে।

তথাপি মই ইয়াত বেচ আছিলো। ইয়াত মোৰ খুব ভাল লাগিছিল ; বেচ আৰামত আছিলো। মোৰ অপবাদ আৰু দাৰিদ্ৰৰ ইতিহাস কোনেও নেজানে ; কোৱাও নাই কাকো। নকৰোঁ।

তেওঁৰ আগত হলে কেইটামান কথা বাদ দি বাকী কথা সকলোখিনি কৈ কৈ নিজৰ মনৰ হেপাঁহ, কথা কোৱাৰ হেপাহ পলোৱাবৰ বৰ ইচ্ছা আছিল, কৈছিলোও।

কথা কৈ কিমান আনন্দ, কিমান আমোদ লাগে, বুজিছিলো, অনুভৱ কৰিছিলো জীৱনত পোন প্ৰথমে। কথা

কৈও মানুহৰ ইমান ভাল লাগে! কথা কোৱাৰ ইমান আনন্দ ক'ত আছিল!

বাঃ—মনৰ মানুহ এজন থাকিলে, সুখৰ দুখৰ কথা কোৱাত কিমান আনন্দ!

পৃথিবীত হয়তো ইয়াতকৈ আনন্দৰ বস্তু একোৱেই নাই। আৰু স্বৰ্গ!

অমৃতৰ সন্ধানত ইন্দ্ৰৰ স্বৰ্গ লৈ নগলেও হব।

মানসিক দ্বন্দ্ব মোৰ নাই। কৰি খোৱা মানুহ। কোৱা কথাখিনি সহজ ভাবেই কব পাৰো।

তেওঁ আৰু তেখেতৰ আগত মোৰ 'এড্‌ভেঞ্চাৰ' পৰিপূৰ্ণ অতীত ইতিহাস বহুত বাৰ কৈছো। বহুত সন্ধিয়া নিশা কৰি দিছো।—

'বুঢ়ী আইৰ আমনি নলগা সাধুকথা'।

তেওঁ মুগ্ধ হৈ শুনে।—তেখেতৰ ওচৰতে বহি বহি বা মোৰ আৰু তেখেতৰ মাজতে বহি আজলী ছোৱালীজনীৰ দৰে আচৰিত হৈ শুনি থাকে।

ইমান ঘাত-প্ৰতিঘাতৰ মাজতো মানুহ বাচি থাকিব পাৰে! জীৱন বাচি থাকিব পাৰে!

পাহাৰ ভাঙি জুৰি বৈ আহে। পাহাৰত ঠেকা খাই শিলনিত হেৰাই যাব খোজে। তথাপি জুৰি বৈ আহে। মহাসাগৰ কিমান দূৰ! জুৰি বৈ থাকা, জীবন বাচি থাকা, প্ৰাণ নাচি উঠা। আমাৰ জীৱন আনন্দেৰে মুখৰ হৈ উঠ'ক।

সুখ-আনন্দ, মৰম আৰু জীৱন।

চোতালৰ দুবৰি নিয়ৰত তিতে। জোনাক-ঢলা সন্ধিয়া মধুছন্দা গতিৰে নিশাৰ নীৰৱতাৰ কোলাত আশ্ৰয় লয়।
সাধুকথা আমাৰ শেষ নহয়।
হিম-চেচা জাৰ আৰু উত্তপ্ত গৰম লৈ আমাৰ কাইলৈ বোৰ আহে।
সাধুকথা আমাৰ শেষ নহয়।
সন্ধ্যাতৰাৰ তিৰবিৰণি আকাশত নোহোৱা। আমাৰ সাধুকথাৰ শেষ নহয়।

অপ্ৰকাশৰ বেদনাৰে মই গুমৰি মৰো। নীৰৱে সহ্য কৰো।

অথচ কিমান কথাই কোৱা নহয়!
তেখেতেও মোক বৰ সহজ ভাবেই গ্ৰহণ কৰিছিল।—
তেওঁবিলাকৰ 'লাভ মেৰেইজ'ৰ কথা কোৱা শুনো। তেওঁ-

বিলাকে নিজেও কয় তেওঁবিলাকৰ প্ৰেমৰ কাহিনী ; তেওঁ-বিলাকৰ কেনেকৈ বিয়া হ'ল।

তেওঁৰ হলে সঁচাকৈয়ে মৰম আছে, প্ৰেম আছে বুলি মই শতমুখে অকুণ্ঠচিত্তে স্বীকাৰ কৰো।

তেওঁলৈ মোৰ এটা আচৰিত আকৰ্ষণ অনুভৱ কৰিলো। দিনে দিনে তেওঁৰ আচাৰ-ব্যৱহাৰ, মৰম, কথাবাৰ্ত্তা আৰু হাব-ভাবে মোৰ এই অনুভূতিত সহাঁৰি দিলে। আগতে জীৱিকাৰ বাবেই জীয়াই আছিলো। এতিয়া যেন জীৱনটোৰ বাবে জীয়াই আছো। তেওঁৰ কাৰণেই জীয়াই আছো।

দিনটোৰ ছঘণ্টা লৰা পঢ়োৱাৰ পাচত অহা মানসিক ক্লান্তি, গতানুগতিক জীৱনৰ নিৰৱচ্ছিন্ন অৱসাদ, দীনতাৰ গ্লানি আৰু অৱহেলা, সকলোবোৰ তেওঁৰ এষাৰ কথাত আঁতৰি যায়।

একেস্বুৰীয়া জীৱনটোলৈ তেওঁ নামি আহিল বৈচিত্ৰৰূপে। মোৰ বুকুলৈ বোৱাই আনিলে আনন্দৰ অমৃতধাৰা। মোক প্ৰাণ দিলে। তেওঁ হ'ল মোৰ প্ৰাণ-গঙ্গাৰ উৎস।

মৰম-চেনেহ আৰু প্ৰীতিৰ বান্ধোন কি বুজি পালো প্ৰথমবাৰৰ কাৰণে। মোৰ জীৱন মৰুভূমিৰ ওৱেচিচ্। অনুভৱ কৰিলো মৰম-পৰশ।

তেওঁলোকৰ সংসাৰখন হৈ পৰিল মোৰেই সংসাৰ। তেওঁ হ'ল মোৰ জীৱনানুভূতিৰ আশ্ৰয়।

জীৱনৰ অৱলম্বন।

জীৱিকাৰ অৱলম্বন দিবলৈকো তেখেত আগবাঢ়িছিল। গ্ৰহণ নকৰিলো।

পৰাশ্ৰয়ী মই কোনোদিনেই নাছিলো। বিনা পৰিশ্ৰমে বিনা প্ৰতিদানে পৰৰ অনুগ্ৰহ গ্ৰহণ কৰিবলৈ মই অসম্মত। তথাপি তেখেতে অকুণ্ঠভাবে মোক সকলো ধৰণেই সহায় কৰিবলৈ ইচ্ছুক।

মোৰ প্ৰয়োজন কিন্তু সামান্য।

তেখেতৰ অনুগ্ৰহৰ জীৱিকাৰ অৱলম্বনৰ মোৰ প্ৰয়োজন নাছিল। মোৰ যৎসামান্য উপাৰ্জ্জনৰ টকাই মোৰ কাৰণে যথেষ্ট।

কিন্তু!

তেওঁৰ মৰম-প্ৰীতি আৰু চেনেহৰ সহাঁৰি মোৰ কাৰণে অপূৰ্ব্ব, অভূতপূৰ্ব্ব; অমূল্য। সেই দানৰ বাবে মই চিৰকৃতজ্ঞ।

তেখেতসকলৰ অকণমান সংসাৰখন মোৰ কাৰণে শান্তি আৰু আনন্দৰ আশ্ৰয়। তেওঁবিলাকৰ মৰম-চেনেহত মই যেন জীয়াই আছো।

তেখেত, তেওঁ আৰু টুটু। টুটুকণ তেওঁলোকৰ এবছৰীয়া কেচুৱা। তিনটি প্ৰাণীৰ এই সংসাৰখন কিমান সুখৰ আৰু

তাৰ মাজত মই সোমাই পৰিলো একেবাৰে আপোন হৈ; একেবাৰে তেওঁবিলাকৰ নিজৰ তেজ মঙহৰ এজনতকৈও আপোন হৈ।

টুটুকণক কোলাত লৈ তেওঁ হাতখন মোৰ ফালে দেখুৱাই কয়—“মামা”, “মামা।”
আঙুলী দুটাৰে টুটুকণৰ গালখন টেপা মাৰি জোকাৰি জোকাৰি কয়,—“ক’ “মামা”।
টুটুৱে ধুনীয়াকৈ মৰমলগা হাঁহিটো মাৰি মাকৰ কোলাত মুখ লুকুৱায়। যেন বৰ লাজ হে পালে।
মাকে পিঠিত থাপৰ এটা মাৰি দাবী দিয়েই কব—
“দুষ্ট,—মামাৰক চিনি পোৱা নাই। মাত, মামা মাত।” এই-বাৰ মামা চিনি নেপালেও সদায় দেখাৰ চিনাকি আৰু মাকৰ সাহস সম্বল কৰি সি মোৰ আগত সহজ হবলৈ যত্ন কৰে।
“আহাঁ টুটু”, “মামা”। আৰু সি নিসঙ্কোচে মাকৰ কোলাৰ পৰা মোৰ কোলালৈ আহে।
তেখেত আগতেই থাকে। টুটুকণৰ দুষ্টালি দেখি তেখেতে হাঁহে।
অফুৰন্ত আনন্দ আৰু অপাৰ সন্তোষ সেই হাঁহিত।

টুটুকণৰ মাক; তেওঁ।
এটা সন্তানৰ মাক তেওঁ। মোহলগা গাভৰু। তেওঁৰ

প্ৰস্ফুটিত যৌৱনৰ নাচি থকা উদ্দাম ৰূপৰ জুইত এতিয়াও বহুত ডেকাই আত্মোৎসর্গ কৰিবলৈ কুণ্ঠিত নহব।

তেওঁ সঙ্কোচবিহীন ; তেখেতে নির্ব্বিকাৰ!
মই হলে চঞ্চল হৈ পৰো বাৰে বাৰে। তথাপি নিজৰ মনৰ চাঞ্চল্য প্ৰকাশ নকৰো। মনৰ আবেগ কঠোৰ ভাৱে সংযত কৰো।

তেখেত ভাল মানুহ। সহজ মানুহ। সৰল চিত্তৰ অন্তৰখনে তেখেতৰ বাহিৰখনো প্ৰশান্ত আৰু মহিমাময় কৰি তুলিছে। পৃথিৱীৰ কলুষতা আৰু পাপ সম্বন্ধে তেখেত যেন নির্ব্বাক আৰু নির্ব্বিকাৰ।
সেই নিষ্কলুষ কান্তিত ঠেকা খাই যেন পৃথিবীৰ পাপবোৰ নোহোৱা হৈ যাব।
বালি সোণ হব।
বালি সোণ হ'ল।
বালি বোকা হ'ল আৰু বোকা হৈ সোণ হ'ল। আৰু কেচা সোণ জুইত পুৰি উজ্জ্বল হ'ল ; পোৱা সোণ হ'ল।

নাৰীৰ কমনীয় কান্তিক মই ভয় কৰা নাছিলো। নির্ব্বিকাৰ হবও নোৱাৰো।
তেওঁৰ কমনীয় কান্তি আৰু মোহলগা মাধুর্য্যৰ উন্মাদ মাদকতা সম্বন্ধে তেখেত নিশ্চল। মোক লৈ তেখেতৰ

কোনো চিন্তাৰ কাৰণ আছে বুলি তেখেতৰ চকুমুখত বুজিব নোৱাৰি।

তেখেত সৰল আৰু মহৎ; মোক সহজ ভাবেই গ্ৰহণ কৰিলে।

কিন্তু তেওঁ!

মই সহজ হব নোৱাৰিলো।

বঞ্চিত মৰুভূমিত এটোপাল বৰষুণৰ পানী আৰু তেওঁ। তেওঁ মোক কিহৰ সহাঁৰি দিয়ে?

কিহৰ ইঙ্গিত!

হাব-ভাব, চলন-ফুৰণ, মোলৈ তেওঁৰ মৰম আৰু আগ্ৰহ; চকুৰ চাৱনি। সেয়া কিহৰ ইঙ্গিত!

তলে তলে মোৰ মন ব্যাকুল হৈ পৰে। মই নিজেই গৌৰৱ বোধ কৰো।

মনৰ মানুহ থকা এগৰাকী নাৰীৰ অন্তৰখন মই কাঢ়ি আনিব পাৰিলো। নাৰী মন জয় কৰাৰ আনন্দ। বিশ্বজয়ৰ আনন্দত মোৰ মন নাচি উঠে।

তেখেতৰ আগত আৰু এনেয়েও মই কিন্তু সদায়েই এই বিষয়ত খুব সজাগ। মোৰ চাঞ্চল্য আৰু মনৰ ভাব আজিলৈকে কোনো দিনেই প্ৰকাশ কৰা নাই।

কোনো ইঙ্গিতেই মোৰ আচাৰ-ব্যৱহাৰ কথা-বাৰ্ত্তাত ফুটাই তোলা নাই।

তেখেত সৰল আৰু মহৎ।
কিন্তু আমাৰ মাজত তেখেত আকাশলঙ্ঘা প্ৰাচীৰ।
...মই যদি তেখেত হলো হেঁতেন!
তেখেত যদি কোনো কালেই নেথাকিল হেঁতেন!
মই সঁচাই কিমান সুখী হলো হেঁতেন!
[তেওঁ আৰু মই ; আমাৰ টুটু !!]
তেখেতৰ অবিহনে মই জানো টুটুক সহজভাবে গ্ৰহণ কৰিব পাৰিম! —টুটু তেখেতৰে নহয়; তেওঁৰো।
তেন্তে টুটু, টুটু! —আমাৰ।
আজি কিছুদিন ধৰি অসংলগ্ন কি ভাববোৰ মনলৈ আহিছে। মানসিক সংঘাত মোৰ নাছিল। আৰু এতিয়া! কিবা-কিবি খেলিমেলি দুশ্চিন্তাৰ মাজত মই নিষ্পিষ্ট হৈ মৰিছো, অথচ সেউ সিদিনালৈকে ভাবিবৰ মোৰ একোৱেই নাছিল। মানসিক সংঘাত দূৰৰ কথা।
আজি মই মানসিক দ্বন্দ্ব আৰু অপ্ৰকাশৰ বেদনাৰ মাজত গুমৰি মৰিছো। ডেই-পুৰি মৰিছো।

কথা মই কবই লাগিব। প্ৰকাশ কৰিবই লাগিব। বুজিব লাগিব, নাৰী মনৰ এষাৰ কথা। সহাঁৰি নহয়; হিয়া উজাৰি ঢালি দিয়া মৌ-মিঠা মাতৰ মৰম।
মোৰ বিশ্বজয়ৰ আনন্দ মই সম্পূৰ্ণভাবে উপলব্ধি কৰিব লাগিব। পৰিণাম যিয়ে নহওক।

তেওঁৰ আগত মোৰ মনৰ নোকোৱা কথাষাৰ খুলি কবই লাগিব। প্ৰাণ খুলি, হিয়া উজাৰি মোৰ বিজয়ৰ বাণী তেওঁক শুনাবই লাগিব।

বহুত কথা মই তেওঁ আৰু তেখেতৰ আগত কৈছো।
মোৰ অৱহেলাৰে ভৰা জীৱনৰ কথা।
মৰম, করুণা আৰু সহানুভূতি। পুতৌ।
তেখেতে হয়তো মোক পুতৌ কৰে। মোৰ দৰে মানুহ এটা অৱশ্যে পুতৌৰে পাত্ৰ।
কিন্তু পুতৌ! সহানুভূতি!
ছিঃ! ঘৃণাত মোৰ নাক কোচ খাই আহে।
পুতৌ ভিখাৰীৰ প্ৰাপ্য। ভিখাৰীয়ে পুতৌ বিচাৰিব পাৰে। মইতো বিচৰা নাই।
দ্বেষ! —তেখেতৰ প্ৰতি বিদ্বেষত মোৰ মন ছট্‌ফটাই উঠে।
হিংসা!
পুতৌ মই কাৰোপৰা বিচৰা নাই।
পুতৌ মোৰ সহ্য নহয়।
কঠোৰ সংগ্ৰাম আৰু ঘাত-প্ৰতিঘাতৰ মাজত মোৰ জীৱন অতিবাহিত। কাৰো পুতৌৰ পাত্ৰ হবলৈ বিচৰা নাছিলো। পুতৌৰ দান, অনুগ্ৰহ, মই কাৰো পৰা গ্ৰহণ কৰা নাই। ক'তো লোৱা নাই। সেই বিষয়ত মই বৰ অভিমানী।

অভিমান কৰিবৰ ঠাই আৰু মোৰ ক'তো নাছিল।
মোৰ সকলো অভিমান, ঘৃণা দ্বেষ আদি ফুটি উঠিছিল—ইয়াতেই।

অপকৰ্ম্ম আৰু দুষ্কৃতিৰে জীৱনটো ভৰাই পঙ্কিল কৰি তুলিছো।
কিন্তু পুতৌ! ছিঃ!
তেখেতে যদি মোক পুতৌ কৰে! আৰু তেওঁ! তেওঁ!
পুতৌ কৰা মানে ঘৃণা কৰা; হীন বুলি ভবা; দুখী বুলি ভবা।
তেওঁ যদি মোক পুতৌ কৰে!
তেওঁ মোক ঘৃণা কৰে!
মোৰ উপায়!
তেওঁ আৰু তেখেত। তেখেত সকলে মোক হেয় কৰিব বিচাৰিছেনেকি?

তেওঁবিলাকৰ সহানুভূতিয়ে মোক হেয় কৰা নাই। মই হীনভাবে নিজক তেওঁবিলাকৰ ওচৰত কোনোদিনেই প্ৰকাশ কৰা নাই।
তেন্তে।
হয়তো তেখেতে মোক মৰম কৰে। মানুহক মানুহে ভাল পায়। দুখী জনক, বঞ্চিত জনক মৰম কৰাটো মানুহৰ ধৰ্ম্ম।

ধৰ্ম্ম জীয়াই থাকিলে আমিও জীয়াই থাকিম।
পৃথিবীত ধৰ্ম্ম আজিও জীয়াই আছে।
ধৰ্ম্মক মাৰিব নোৱাৰে। ধৰ্ম্ম অমৰ। প্ৰেম অমৰ।
মানুহ এই প্ৰেম আৰু মৰম লৈ ধৰ্ম্ম বচাই চিৰকাল জীয়াই থাক'ক।
ধৰ্ম্মৰ ধ্বজা উৰি থাওক।

তেখেতে মোক পুতৌ নকৰে ; মৰম কৰে। তেখেত মহৎ।
তেখেতক মই ইমান হীন ভাবে ভাবিবই নোৱাৰো।
আৰু তেওঁ।—
তেওঁ মোক ভাল পায়।
ভাল পোৱাৰ অমৃত সিন্ধুত পৃথিৱী প্লাবিত হয়। মোহনীয় মাধুৰীৰে পৃথিৱী সুন্দৰ হয়। ধুনীয়া হয়।
তেওঁ মোক ভাল পায়।
আমাৰ মৰম চেনেহৰ পৃথিৱীত ভাল পোৱা এতিয়াও আছে।
আমাৰ ভাল পোৱাৰ মাজেদি দিঠক আমাৰ সপোন হল।
এটা সুন্দৰ সপোন।
স্বৰ্গ পৃথিৱীলৈ নামি অহাৰ সপোন।
জীৱন আৰু জীৱিকা মোৰ একাকাৰ হৈ গ'ল।
স্বপ্ন মোৰ সাৰ্থক হ'ল।
স্বৰ্গ পৃথিবীলৈ নামি আহিল।
তেওঁ মোক ভাল পায়।

মোৰ প্ৰতি তেওঁৰ ·কিমান আগ্ৰহ—কিমান মৰম! স্কুলৰ পৰা ভাগৰে জুগৰে মই ঘূৰি আহোঁ। তেওঁ মোলৈকে বাটলৈ চাই থাকে।

দূৰৈতে দেখি কব। দূৰৈৰ পৰাই যেন ৰিঙিয়াই মাতিব।

"ৰিঙিয়াই ৰিঙিয়াই ভাগৰি পৰিছে।"

"দূৰৈৰে চেনেহৰ মাত।" দুৰণিৰ মৰম।

"ৰিঙিয়াই ৰিঙিয়াই ভাগৰি পৰিলো, তেও তোৰ সহাঁৰি নাই।"

সহাঁৰি!

কি হব? দূৰণিৰ মৰমৰ সহাঁৰি কি মই দিম!

তেওঁ হলে একেবাৰে সঙ্কোচবিহীন। লোকে ভবা কথা, সদ্-নাম বদ্নাম লোকাপবাদ একোলৈকে তেওঁৰ ভ্ৰূক্ষেপ নাই।

আনৰ কথাত তেওঁ কলা।

কথা কোৱাত আনৰ আগত বোবা।

কিন্তু তেখেত আৰু মোৰ লগত!

ভাগৰে জুগৰে মই স্কুলৰ পৰা ঘূৰি আহোঁ। তেওঁ পদূলীত ৰৈ থাকিব। যেন মোৰ কাৰণেই বাট চাই আছিল।

মোৰ কাৰণেই বাট চাই থাকে।

"চাহ ইয়াতে খাবহি দেই।"

"সোণকালে আহিব কিন্তু, চাহ কৰাই আছে, তেখেতেও খোৱা নাই।"

কোনোবা দিনা আন কৰবাত চাহ খাই আহিলে—ৰা তেওঁ-বিলাকৰ তাত মোৰ চাহ খোৱা নহলে ছুদিনলৈ মোৰ লগত মাত বোলে নেথাকিব।
অভিমান! মোৰ ওচৰত!

মই ভাবো আৰু মোৰ মন খেলি মেলি হয়। মন তোলপাৰ হৈ উঠে। মই অস্থিৰ হৈ পৰো।
অভিমান কৰিবৰ মোৰ ঠাই নাছিল। মোৰ ওচৰতো কোনেও অভিমান কৰা নাছিল।
কিছুদিন ধৰি মোৰ যেন মানসিক বিকৃতি ঘটিছে। মই অস্থিৰ হওঁ। অধৈৰ্য্য হওঁ। কিন্তু উপায় নাই। প্ৰকাশ কৰাৰ কোনো উপায়েই মই দেখা নাই। আমাৰ মাজত কিহৰ যেন বাধা। কিহৰ যেন বুজিব নোৱাৰা আকাশৰ ব্যৱধান।
আৰু আমি বন্দী বিহঙ্গ।
সজাৰ ভিতৰত মূৰ খুন্দিয়াই মৰা বনৰ পখী। ওলাবৰ উপায় নাই। মুক্ত হবৰ কোনো পথ নাই।

মোলৈ তেওঁৰ ইমান মৰম কিয়! আমি ইমান ওচৰতে। ইমান সান্নিধ্যৰ মাজতো আমাৰ মাজত কিহৰ বাধা।
ইমান ওচৰত! অথচ যেন বহুত দূৰ!
এদিন তেওঁ মোক নেদেখিলেই চঞ্চল হৈ উঠিব। মোৰ

এদিনৰ অনুপস্থিতি হেজাৰ দিনেৰেও পূৰাব নোৱাৰে। আৰু মই!

তেওঁৰ চাল-চলন, ব্যৱহাৰ, মোৰ প্ৰতি তেওঁৰ শাসন আৰু যত্ন।

অপাৰ সন্তোষ, অফুৰন্ত আনন্দ আৰু নোপোৱা সুখ পাইও মই ডেই-পুৰি মৰো।

মোৰ সৰু কোঠাটোৰ বিছনাখন বিশৃঙ্খল হৈ থাকে। কাপোৰ-কানিবোৰ লেতেৰা হৈ গৈছে। ঘৰটোত সস্তীয়া চিগাৰেটৰ আধাপোৰা টুকুৰা, জুইশলাৰ কাঠি, ফটা কাগজ, ধূলি মাকতি, ওপৰৰ ভেন্টিলেশ্যনলৈ বুলি ৰখা বিৰাট সুৰুঙাইদি বতাহত সোমাই অহা গছৰ পাত আৰু ভেঁকুৰা গোন্ধ।

তেওঁ মোৰ কোঠাটো সোমায়েই চিঞৰি উঠিব।—"ইচ্! আপুনি ইমান লেতেৰাকৈ থাকিব পাৰে!"

তাৰ পিচত।

তাৰ পিচত চাদৰখনকে কঁকালত আটি বান্ধি মোৰ ঘৰটো ধুনীয়াকৈ তুলিবলৈ যত্ন কৰে। চাফ-চিকুণ কৰে। তেওঁবিলাকৰ ঘৰত কাম কৰা বুঢ়ীজনীক মাতি আনি ঘৰটো লেপোৱাই দিব।

শাসনৰ সুৰত বক্তৃতা দিয়াৰ ঠাঁচত গহীন হৈ কব—

"মানুহ মানুহৰ দৰে থাকিব লাগে।"

মোৰ উল্টা প্ৰশ্ন কৰিবৰ ইচ্ছা হয়।—মানুহৰ দৰে থকাটোনো

আকৌ কেনেকুৱা কথা,ময়োতো মানুহ। মই এতিয়া থকাৰদৰে থকাটো জানো মানুহৰ দৰেই থকাটো নহ'ল ?

কিন্তু কোৱা নহয়।

কি অপৰূপ তেওঁৰ কথা কোৱাৰ ভঙ্গিমা।

অপৰূপ ;—সুন্দৰ।

মই ৰ' লাগি চাই থাকো।

মোৰ অবাক দৃষ্টি তেওঁ হয়তো বুজি পায়।

"মানুহ পৰিষ্কাৰ পৰিচ্ছন্ন ভাবে থাকিব লাগে। সুন্দৰকৈ থাকিব লাগে।"

অপৰিষ্কাৰ ঘৰ এটা পৰিষ্কাৰ কৰি কৰি তেওঁ কৈ যাব।

কাম কৰি যোৱাত, ঘৰতো পৰিষ্কাৰ কৰি তোলাত তেওঁৰ কিমান আনন্দ।

ক্ষন্তেকতে অপৰিষ্কাৰ ঘৰ এটা তেওঁ পৰিষ্কাৰ কৰি পেলায়।

"মানুহ সুন্দৰ হৈ থাকিব লাগে।"

অসুন্দৰ মানুহ এটাক সুন্দৰ কৰাৰ যত্ন।

'প্ৰেম আৰু ভালপোৱা'।—জীৱনত কোনোদিনেই একো নোপোৱা অসুন্দৰ এজনক ভালপোৱাৰ অমৃত সুধাৰে স্নান কৰাই সুন্দৰ কৰি তোলাৰ প্ৰচেষ্টা।

অপৰূপ ;—সুন্দৰ।

মই অবাক হৈ যাওঁ।
মই নিৰ্ব্বাক, নীৰৱ হৈ যাওঁ। একো কোৱা নহয়।

ভয়-শঙ্কা, সঙ্কোচ ;--মোৰ ওচৰত তেওঁৰ যেন একোৱেই ভাবিব লগীয়া নাই।

মই যদি পশু হওঁ, তেওঁ যদি মানবী হয়! তেওঁ মানবী নহৈ যদি এজনী পশু হ'ল হেঁতেন! তেওঁ যদি পশু, মই যদি মানুহ। মই মানব, তেওঁ মানবী; মই আদম, তেওঁ ঈভ। কিন্তু!
ভয়-শঙ্কা, সঙ্কোচ।—
মই নীৰৱ। তৰ্কশাস্ত্ৰ বিশ্লেষণ। লজিকৰ এটা 'ফেনাটিক এনালজি'; ফেলাচীও হব পাৰে।
—দৰ্শনৰ এটা ভ্ৰান্ত চীন্‌থেচিচ্‌ৰ বিকৃত চিন্তাৰ মাজত মই নীৰৱ।
আৰু তেওঁ!
ভয়-শঙ্কা, সঙ্কোচ, তেওঁৰ একোৱেই নাই।
অসুন্দৰক সুন্দৰ কৰাৰ মহিমাৰে তেওঁ মহিমান্বিত।

"আপোনাৰ বাৰু অকণো ভয় নেলাগেনে?"
তেওঁ মোৰ বিছনাখন জাৰি জোকাৰি বিছনাৰ তলফালে এটা চামচেলোকা উলিয়াই চিঞৰি উঠিব।—

"ইচ্! এইডালে ডকা হ'লে আপোনাৰ কি হ'ল-হেঁতেন।—কি মানুহ আপুনি!"

—কি মানুহ মই! মই অমানুহ নেকি!

মানসিক দ্বন্দ্ব আৰু অসংলগ্ন চিন্তাৰ মাজত মই অধীৰ হৈ উঠো।

আৰু মোৰ সম্মুখত উচল যৌৱন-তৰঙ্গ ঢউ খেলি যায়।

এজনী অনাত্মীয়া ৰূপসীৰ পৰিচৰ্য্যা, যত্ন আৰু শাসন। কি তৃপ্তি!

আমাৰ এনাজৰী ডাল বিচাৰি উলিয়াবৰ চেষ্টা কৰো।

প্ৰাণহীন এটা নীৰস জীৱন; অনাদৰত অৱহেলিত।

ভালপোৱা আৰু মৰমৰ মধুধাৰা বৈ সৃষ্টি কৰে এখন অমৃত-সাগৰ।

—তেওঁ মোক ভাল পায়।—ইও জানো সঁচা হব পাৰে!

তেওঁৰ মুখৰ পৰা মই আজিও শুনা নাই। সেই চিৰ-স্তনে বৈ অহা অমৃতৰ মৌ-মিঠা বোৱতী-ধাৰাৰে এটি ধাৰ—এষাৰ কথা; এআষাৰ মধুবাণী। "মই তোমাক ভাল পাওঁ।"

আজিও মই শুনা নাই। সেই সোণ-সুৱগা মুখৰ মৌ-বৰষা মাত।—"মই তোমাক ভাল পাওঁ।"

'বুঢ়ী আইৰ সাধু' আজিও কওঁ! কয়; শুনো।

সন্ধিয়াৰ জোনাক ঢলা বগা পথাৰত নিয়ৰে আজিও মুকুতা

সিঁচে। পৃথিৱী আজিও সেউজীয়া; আকাশ নীলা। জোনৰ মাধুৰীত আজিও বুকুত কঁপনি উঠে।

সন্ধ্যা তৰাৰ উজ্জ্বলতাই পৃথিৱীৰ নীৰৱতাত আজিও সহাঁৰি দিয়ে।

তোমালোক সকলো আছা।

পৃথিৱীৰ ৰূপকথা; বুঢ়ী আইৰ সাধু; জীৱনৰ সাধুকথা আজিও কোৱা হৈয়ে আছে।

কিন্তু তথাপি আজিও কোৱা নহ'ল। ৰাজকন্যা নিমাত। সোণৰ-কাঠি, ৰূপৰ-কাঠি ক'ত হেৰাল। ৰাজকন্যাই আজিও কথা নকলে। ৰাজকন্যা নিমাত।

—"মই তোমাক ভাল পাওঁ"—তেওঁ মোক ভাল পায়।

আজিও মোৰ কোৱা নহ'ল।

তেওঁ মোক আজিও নকলে।

বহুত কথা শুনিলো, বহুত কথা ক'লো। কিন্তু আচল কথাই কোৱা নহ'ল।

আমাৰ জীৱনৰ চৰম সত্য ট্ৰেজেদিয়ে আকৌ এবাৰ ইয়াৰ সত্যতাৰ প্ৰমাণ কৰিলে।

অপ্ৰকাশৰ বেদনা,—কিমান দুখৰ!

অথচ পৃথিৱীত কিমান সুখ, কিমান আনন্দ, কিমান প্ৰেম!

আমাৰ সান্নিধ্যৰ মাজত আকাশ-পাতাল ব্যৱধান।

তেওঁ মোৰ তালৈ সদায়েই আহে। নিতউ নতুন শাসনৰ জোলোঙা লৈ।

মোলৈ তেওঁৰ ইমান যত্ন কিয় ?

তেওঁবিলাকৰ ঘৰৰ বুঢ়ীজনীক মাতি মোৰ কাপোৰ-কানি-বোৰ ধুবলৈ দিব।

মোক লেতেৰাকৈ থকাৰ কাৰণে স্বাস্থ্য সম্বন্ধে উপদেশ দিব।

ৰান্ধনি ঘৰটোত সোমায়ে হুলস্থূল লগাই দিব।

—"আপোনাৰ দেখিছো বিয়াখন পাতি নিদিলে মোৰ উপায়েই নাই।"

তেওঁৰ উপায় নাই! (তোমাৰ উপায় নাই কিয়? ইয়াৰ অন্তর্নিহিত অর্থ কি! সুধিবৰ মন যায়। নিমাতেই থাকো)

"আপুনি ঘৰ ধৰি খোৱা মানুহেই নহয়।"

এজনী 'দুর্ব্বলা' নাৰীৰ ওচৰত নিজৰ অসমর্থতা প্রকাশ পোৱাত বেয়া লাগে। সেই একেজনী মানুহেই মোৰ অতীত জীৱনৰ এড্ভেঞ্চাৰৰ কথাবোৰ শুনি শুনি মুগ্ধ হয়।

জীৱন যুদ্ধত অকুণ্ঠভাবে আগবাঢ়ি কৃতকার্য্যতা লাভ কৰাৰ কাহিনী শুনি শুনি তন্ময় হয়। মোৰ ধৈর্য্য আৰু অধ্যৱসায়ৰ প্রশংসা কৰে।

মই নিজেই আচৰিত হওঁ মোৰ প্রতিকূল অৱস্থাৰ লগত যুঁজ কৰিব পৰা শক্তিৰ কথা ভাবি।

আৰু মই। —সেই একেজন মানুহেই নিজৰ ৰান্ধনি ঘৰটোকে শৃঙ্খলা লগাই ৰাখিব নোৱাৰো।

জীৱনৰ প্ৰতি মোহ-মমতা মোৰ নাই। থাকিব লাগে কাৰণে আছো। পৃথিৱীলৈ আহিলো। ভগবানৰ ইচ্ছাৰ ব্যতিৰেকে যাবৰ উপায় নাই।

—জীয়াই থকাটো ভগবানৰ ইচ্ছা। আছো।

মোৰ ক'তো শৃঙ্খলা নাই ; স্থিৰতা নাই।

মোহ-মমতা ;—জীৱনটোৰ প্ৰতি এটা আকৰ্ষণ!

জীৱন কিমান সুন্দৰ!

ভগবানৰ দান, মানুহৰ জীৱন কত পুণ্যৰ ফল। কত সাধনাৰ ধন। অথচ এনে সুন্দৰ জীৱনটোক মই নিঃশেষ ভাবে উজাৰ কৰি দিছো,—শেষ কৰি দিছো।—

—মোৰ অসুন্দৰ জীৱনটোক তেওঁ সুন্দৰ কৰি তুলিবলৈ যত্ন কৰে।

জীৱনৰ প্ৰতি মমতা আনি দিয়ে।

মোৰ উদাসীন জীৱন-দৰ্শনৰ হতাশাভৰা ভাবটোকে তেওঁ ওলট পালট কৰি দিয়ে।

তেওঁৰ কাৰণে জীৱন সুন্দৰ, সৃষ্টি সুন্দৰ ; আমিও সুন্দৰ।

ভগবানৰ সৃষ্টিৰে আমাৰ প্ৰাণ মহিমাময়।

ইয়াক অৱহেলাৰে পঠিওৱা মানে ইয়াৰ অপচয়। অপব্যয়। সৃষ্টিৰ অপমান।

—সুন্দৰ তেওঁৰ কথা কোৱাৰ ভঙ্গী। সৃষ্টিৰ মহত্ব আৰু গৰিমাৰে তেওঁৰ ভাব গঢ়িত। তেওঁৰ ভাব সুন্দৰ; তেওঁ মহৎ। তেওঁ ধুনীয়া;—তেওঁৰ মনটো ধুনীয়া।
এজনী ৰূপহী গাভৰুৰ ৰূপহ মন।
প্ৰেম আৰু ভালপোৱাৰে সেই মন বিকশিত।
কমনীয় মাদকতা; মোহনীয় আকৰ্ষণ।

দুৰ্ব্বাৰ ভাবে তেওঁ মোক আকৰ্ষণ কৰে—দিনক দিনে।

মোৰ জীৱনৰ অপচয় আৰু অপব্যয়ক তেওঁ নিন্দা কৰে।
জীৱন-দৰ্শন সম্বন্ধে মোক প্ৰবোধ দিয়ে।
নতুন আশা আৰু নতুন ভাবেৰে নতুনৰ ৰহন সানি সংসাৰৰ লগত সাঙুৰি দিবলৈ বিচাৰে।
তেওঁৰ মাত সুৱলা; কথা মোহলগা।
মৰমে সেই মাতত মৌ-বৰষিলে; প্ৰেমে সেই মোহ গভীৰ কৰি তুলিলে।
মই মুগ্ধ হৈ গলো; মই মুগ্ধ হৈ যাওঁ।
অন্তৰত মোৰ আলোড়নৰ সৃষ্টি হয়। মন মোৰ সলনি হৈ যায়।

সংসাৰৰ প্ৰতি মোহ।
বনবৰাগী মোৰ মন সংসাৰ প্ৰীতিৰ মায়াজালত বন্দী হয়।

তপস্বী মই নাছিলো। সেই বুলি মই সংসাৰীও নহয়—
কোনোদিনেই হোৱা নাই।
তথাপি এইবাৰ যেন মোৰ জীৱন-তৰী সংসাৰ ঘাটত বৈ যাব।

আকৰ্ষণ তেওঁৰ প্ৰতি মোৰ তীব্ৰ হৈ
উঃ! সেই আকৰ্ষণৰ কি যন্ত্ৰণা!!
সেই আকৰ্ষণ, সেই মোহ আৰু মৰমবোৰ যেতিয়া অন্তৰত
থউকি বাথউ কৰি উঠে—
প্ৰকাশ যেতিয়া কৰিব নোৱাৰি।—
অন্তৰৰ দুৰ্ব্বাৰ ঢউৰ হেন্দোলনিত মই নিষ্প্ৰভ হৈ পৰিব
খুজো—মই অচেতন হওঁ। যন্ত্ৰণাত মই ডেই পুৰি মৰো।
আৰু ঠিক এনে এটা মুহূৰ্ত্ততে তেওঁ আহি কব—
"আপোনাৰ বেমাৰ নহৈ আৰু কাৰ হব?"
"গাথীৰখিনি ঢাকিও থব নেপায়নে।"
—যেনিবা মোৰ কোনোবা কালৰ আপোন এগৰাকী।
কোনোবা কালৰ মৰম-পৰী।

—মোৰ মৰম-পৰীয়ে মোৰ কাণত সুৰ ঢালে।—
—"আপোনাৰ 'টাইফয়েড্' নহৈ কলেৰা হোৱা হলেহে ভাল
আছিল।"
"যমে একে কোবেই মাৰি নিলেহেঁতেন।"
—যমে মাৰি নিয়া হলেই ভাল আছিল।

মানুহৰ অন্তৰত কিমান দুখ ; কত বেদনা। প্ৰকাশ কৰিব নোৱাৰি এষাৰ কথা।

এষাৰ কথাৰ অপ্ৰকাশত সেই বেদনা গুমৰি মৰে।

আমাৰ মাজত সাঁথৰৰ বাধা।

যমে মাৰি নিয়া হ'লেই ভাল আছিল। সকলো যন্ত্ৰণাৰ ওৰ পৰিলহেঁতেন। দুৰ্ব্বোধ্য সাঁথৰ এটাৰ শেষ সমাধান হৈ গ'লহেঁতেন।

যমৰ বুকুত যোৱা হ'লেই ভাল আছিল। কিন্তু নমৰিলো।

নমৰিলো—দুখেৰে পৰিপূৰ্ণ জীৱনটোত আৰু দুখ আৰু যন্ত্ৰণাৰ বোজাৰে দুৰ্ব্বহ কৰি তুলিবলৈকে।

আগৰ কাল-ছোৱাত শাৰীৰিক কষ্ট অশেষ খাইছিলো।

আৰু এতিয়া মানসিক সংঘাতৰ মাজত ডেইপুৰি মৰিছো।

মানুহৰ মন যদি নিৰ্ব্বিকাৰ হ'লহেঁতেন।

মন বুলি যদি কিবা এটা নেথাকিলহেঁতেন।

বহুত গাভৰুৰ ইচ্ছা কৰা হলে মন পাব পাৰিলোহেঁতেন।

বহুতেই মোক ভাল পালেহেঁতেন। সেইদৰেই ময়ো—কাৰোবাক ভাল পাব পাৰিলোহেঁতেন। কিন্তু।

কিন্তু।

কিন্তু সব খেলিমেলি হৈ গ'ল।

তেওঁ যদি মোৰ মনৰ মাজলৈ নাহিলহেঁতেন, হয়তো মোৰ জীৱনটো ইমান দুৰ্ব্বহ, ইমান জটিল নহলহেঁতেন।

তেওঁৰ প্ৰশ্নৰ উত্তৰো মই সহজেই দিব পাৰিলোহেঁতেন। নীৰব হৈ থকা, বা অবান্তৰ দৰ্শনৰ পাতনি মেলাৰ কোনো প্ৰয়োজনে নহলহেঁতেন।

অথচ তেওঁৰ কি আগ্ৰহ!

"আপোনাৰ বিয়াখন পাতি দিব লাগিব ন'ব।"

মোৰ বিয়া পতাত তেওঁ উঠি পৰি লাগে।

তেখেতে হয়ভৰ দিয়ে। খৰচ-পাতিৰ ভাৰ তেখেতৰ আৰু ছোৱালী তেওঁ নিজৰ মনেৰে বাছি দিব।

মোৰ কাৰণে, তেওঁৰ নিজৰ মনেবছা ছোৱালী এজনীৰ কল্পনাত তেওঁ বিভোল। মোৰ বিয়াখন পাতি দিবলৈ তেওঁৰ কিমান ইচ্ছা।

তেখেতৰো কোনো আপত্তি নাই। বৰঞ্চ 'আনন্দ আৰু আগ্ৰহ তেখেতৰো কম নাছিল।

এটা সুখী সৰু নতুন পৰিয়াল। এঘৰ ভাল মানুহ। ওচৰ চুবুৰীয়া।

—কোনো প্ৰয়োজন নাছিল। মই তেওঁবিলাকৰ কোনো নহওঁ। এজন নিঠৰুৱা মানুহক তেওঁবিলাকে মৰম কৰিছিল।

আপোনজন কোনো নথকা, চাবলৈ চিতিবলৈকে কেও কিছু নথকা এজনক তেওঁবিলাকৰ মৰম আদৰ শুশ্ৰূষা—চেনেহৰ দানেৰে জীয়াই তুলিলে।—

মই তেওঁবিলাকৰ কি হওঁ!

মোৰ বিয়াখন পতাত তেওঁৰ আগ্ৰহ আৰু মই ভাবো।

সম্পৰ্কহীন এগৰাকী মানুহে অনাত্মীয় এজন মানুহৰ বিয়াখন পাতি দিবলৈ, নিজে ছোৱালী এজনী বিচৰাত কি স্বাৰ্থ থাকিব পাৰে?

নিঃস্বাৰ্থ মৰম!

"আপোনাক নাকত ধৰি চাকত ঘূৰাব পৰা এজনী আনি দিলেহে আপুনি ঘৰ লব।"

বনৰ বিহঙ্গক গৃহমুখী কৰি তোলাৰ প্ৰচেষ্টা।

চৰায়ে বাঁহ সাজে, বনৰীয়া জন্তুৱে গুহাত, বনৰ জাঁজত আশ্ৰয় লয়। উইপৰুৱাই ঢিপ তোলে। মউবিলাকে মউচাক ৰচনা কৰে।

মানুহৰ মনতো এখন ঘৰ, এখন সংসাৰৰ কল্পনা।

এখন ঘৰ; এখন সংসাৰ।

সৃষ্টিৰ বুকুত পদুম ফুল; এপাহ ফুলি উঠা পদুম ফুল।

পৃথিবীত আমি সংসাৰৰ মৌ-চাক ৰচনা কৰো।

সৃষ্টিয়ে পাতনি মেলে।

মানুহৰ চিৰন্তন আদিম হেঁপাহ।

ঘৰ পতাৰ বাবে মানুহৰ মন কিমান উদ্বাউল। এখন সুখী ঘৰ ;—এটি শান্ত পৰিবেশৰ মাজত।

তেখেত স্বামী, তেওঁ আৰু তেওঁবিলাকৰ টুট্কণ—টুটু।

মোৰ ঘৰখন পতাত আকউ তেওঁৰ ইমান আগ্ৰহ কিয় ?

"এইবাৰ বেমাৰ হব লাগিলে আপোনাক আমি উলটিও নেচাওঁ।"

"বিয়া নেপাতিলে এইবাৰ চামচোন আপোনাৰ কি দশা হয়।"

"এমাহ বাৰ দিন নহয়, তিনিমাহ পৰি থাকিলেও পানী এটুপিকে নিদিম। তেতিয়া তিনিমাহ নেলাগে তিন দিনতে শেষ।"

—শেষ হলে ভালেই।

ঘৰ এখন ; আশ্ৰয়। আপদে-বিপদে, সুখে-দুখে এষাৰ মৰমৰ মাত, শুশ্ৰূষা আৰু প্ৰীতিৰ বান্ধোনেৰে সৈতে জীৱনৰ অৱলম্বন। জীয়াই থকাৰ প্ৰাণ উৎস।

জীৱন। সেয়ে জীৱন।

জীৱন নহলে জীৱিকাৰ কৃচ্ছ্ৰ সাধন নিষ্ফল। জীৱিকাৰ অবিহনে জীৱন বিকল।

জীৱনৰ মৌ-চাক এখন ঘৰ ৰচিবলৈ জীৱিকাৰ অবিহনে সাধ্য ক'ত।

তেখেত আৰু তেওঁৰ ঘৰখনক কেন্দ্ৰ কৰি মোৰ নিষ্প্ৰাণ

জীৱনত এফেৰি প্ৰাণৰ সন্ধান পাইছিলো। এচেৰেঙা ৰ'দৰ পোহৰ।

জীৱনত মইও প্ৰাণ প্ৰতিষ্ঠা কৰিব লাগিব; কৰিব লাগে।

ঘৰ পাতিব লাগে; বিয়া পাতিব লাগে।

তেওঁৰ মত।

কিন্তু বিয়া!

হয়তো পাতিলোহেঁতেন, হয়তো সংসাৰ ৰচনা কৰিলো-হেঁতেন।

কিন্তু······তেওঁৰ সংস্পৰ্শ লৈ অহাৰ পাচত সম্ভৱ জানো!

—ইও কি সম্ভৱ!

নহা হ'লেই ভাল আছিল।—সুখ নেপালেও দুখ নেথাকিল-হেঁতেন।

কিন্তু এতিয়া!

উপায়হীন।

আমাৰ মাজত আমাৰ মনৰ ইপাৰ সিপাৰ জুৰি 'মকৰা সূতাৰ সাঁকো'।

ভয় হয়; বগাব জানো পাৰিম! জানোচা ছিগি যায়।

সান্নিধ্য আছে। কাষ চাপিব নোৱাৰো।

কথা আছে; ভাষা নাই।

মনৰ কথা কবলৈ গ'লেই মূক হৈ যাওঁ।

পৃথিবীৰ প্ৰাণী মই। কণা, কলা, অন্ধ বোবা। পোহৰ মোৰ এন্ধাৰে ঢাকে। এলান্ধুকলীয়া মনক মোৰ প্ৰেমৰ জ্যোতিৰে

উজ্জ্বল কৰিব নোৱাৰো। উৰণীয়া আকাশচাৰী মন ;—
নীলাকাশৰ মহাশূন্যত ডেউকা ভাগি মাটিলৈ খহি আহিল।
এন্ধাৰ মনত পোহৰ ক'ত !
গুমৰি মৰো। মনৰ কথা অপ্ৰকাশ হৈ ৰৈ যায়।
আৰু তেওঁ।
তেওঁ কি ভাবে কব নোৱাৰো।
সহজ সৰল, স্বচ্ছন্দ ভাবে আহিব যাব, কথা কব, হাঁহিব আৰু মোক শাসন কৰিব।
মোৰ ঘৰখন সোমায়েই হোৱাই নোহোৱাই তেওঁ কব—
"এইবাৰ আপোনাৰ বিয়াখন পাতিব লাগিব।"
আৰু।
কথাতকৈও চকুৰ ভাষাই যেন আৰু বহুত কিবাকিবি ; বহুত কিবাকিবি কৈ দিব।—
—সোণৰূপৰ পৰীৰ দেশৰ সাধু। ৰূপকথাৰ ৰাজকন্যা আৰু ৰাজকোঁৱৰৰ কাঠৰ পকীঘোঁৰাত উঠি অজান দেশৰ দুৰ্গম পথত পাখি দিয়াৰ বিচিত্ৰ কাহিনী।
ঃ সাধুকথা।
বুঢ়ী আইৰ সাধুকথা।
চকুৰ ভাষাত ৰূপকথাৰ স্বপ্নময় সাধু।

অকপট মৰম, নিঃসঙ্কোচ, নিৰহঙ্কাৰ সান্নিধ্য, শিশুৰ মধুৰ হাঁহি আৰু স্বৰ্গৰ মাধুৰিমা।

এই নাৰী।

তেওঁ।

তেওঁ মোক ভাল পায়।

ভাল পায়!

নাৰী মনৰ ৰহস্যৰ কুৰঁলী জাল আঁতৰাই চাবৰ সাধ্য কি!

প্ৰশ্ন নাই। তেওঁ মোক ভাল পায়।

এই নাৰী। জোনৰ পোহৰ যাৰ প্ৰভা। চন্দ্ৰতো কলঙ্ক আছে; আৰু তেওঁৰ মন।

বুজিব নোৱাৰো কিহৰ আকৰ্ষণ। কিহৰ মায়া।

এই জোৱাৰৰ আকৰ্ষণ।

চন্দ্ৰ, তুমি কিমান দূৰত; আৰু সাগৰৰ ঢউৰ বৃথা আস্ফালন।

মোৰ প্ৰতি তেওঁৰ কি মৰম, কি ভাব!

এষাৰ কথা কোৱা নাছিল।

এষাৰ কথা হোৱা নাছিলো।

চিনাকি নাছিল, সম্বন্ধ নাছিল; সান্নিধ্য নাছিল। পৰিচয়ৰ সুযোগ নাছিল।

অচিনাকি, অনাত্মীয় হৈয়ে, আঁতৰি গলোহেঁতেন।

—কিজানি তেওঁ নথকা হ'লে, তেওঁৰ মৰম নোপোৱা হলে, তেওঁৰ সেৱা শুশ্ৰূষা নোপোৱা হলে অভিশপ্ত জীৱন এটা বহন কৰা দূৰৰ কথা, জীয়ায়েই নেথাকিলোহেঁতেন।

তেওঁলোকৰ ওচৰৰ ঘৰটোতে মই থাকো, কাৰো লগত চিনা পৰিচয় নাই। তেখেতৰ লগতো।

তেওঁ মোক সদায়েই দেখে—অহা যোৱা কৰা। কোনো-দিনেই মতা নাই।

লক্ষ্য কৰে ; ময়ো কৰো।

কিন্তু মাত-বোল নাই। ময়ো উপযাচি মাতিবলৈ যোৱাৰ প্ৰয়োজন বোধ কৰা নাই।

পিচত তেখেতৰ লগত পৰিচয় হৈছিল, কথাবাৰ্ত্তাও।

মই মাষ্টৰ। তেখেত। তেখেতৰ একো কাম নাই। নিষ্কৰ্ম্মাও নহয়। খেতি পথাৰ, মাটিবাৰী, সা-সম্পত্তি যথেষ্ট। বছেৰেকত সেইবিলাকৰ দুই চাৰিবাৰ তদাৰক ললেই হৈ যায়।

জীৱিকা সম্বন্ধে একেবাৰেই নিশ্চিন্ত।

জীৱন সম্বন্ধেও।

বিয়া কৰোৱা ছমাহ মানহে হৈছে।

ভালপোৱাৰ বিয়া। প্ৰেম আৰু বিয়া।

পৰস্পৰৰ মাজত কিমান মৰম।

মনে প্ৰাণে তেওঁলোক সুন্দৰ। সুখী জীৱন।

তাতকৈ আৰু কি লাগিছে।

তাতকৈ মোৰ আৰু বিশেষ একো জনা নাছিল। সান্নিধ্যও নাছিল।

আহোঁ যাওঁ। থাকো খাওঁ। কাৰো লগত চেনেহৰ ডোল, বন্ধুত্বৰ আকৰ্ষণ একোৱে নাই।

কেইদিন মান অহা যোৱা কৰা নেদেখি তেওঁৰ বোলে সন্দেহ হ'ল, এদিন তেওঁৰ অনুৰোধত তেখেতে মোক খবৰ কৰিলে। মোৰ তেতিয়া চাৰিদিনীয়া জ্বৰ। নিজেই কোনোৰকম পানীটোপা কৰি খাইছো। কিন্তু ওলাবৰ শক্তি নাই। চাওঁতা মেলোঁতা, মাত এষাৰ দিওঁতা কোনোৱে নাই! থকা হলে ভাল আছিল। নাই। —ভবাও নাই।
বিনা চিকিৎসাই মই পৰি আছিলো।

তেওঁ আহিল।
অপ্রত্যাশিত ভাবে মই ঈশ্বৰৰ আশীৰ্ব্বাদ পালো।
সেই গাৰেই তেওঁ মোৰ কাৰণে কি নকৰিলে।
এজনী মানুহৰ অন্তৰত থাকিব লগীয়া সকলোখিনি মৰম মোক উজাৰি দিলে।
দেহৰ শক্তিৰে মোৰ সেৱা কৰিলে।
তেখেতে ডাক্তৰ মাতি আনিলে। নাৰ্চ আহিল।
নাৰ্চ থকাতো তেওঁ মোৰ ওচৰৰ পৰা নাতৰিল।
এজন অনাত্মীয় অচিনাকি মানুহক ইমান আদৰ শুশ্রূষা কৰাৰ কথাটো নেদেখিলে ভাবিবই নোৱাৰিলোহেঁতেন।
আৰু তেখেত।
তেওঁৰ কথামতে যন্ত্ৰৰ দৰে ঘূৰে। ইটো অনা, সিটো অনা; ই কৰা, সি কৰা।
তেখেতৰ তত্বাৱধান, তেওঁৰ মৰম আৰু প্রতিপাল।

এমাহ বাৰদিনৰ মূৰত মই ভাল হ'লো। এবাৰলৈ নমৰি জীলো।
মানুহৰ মৰম আৰু আদৰত মই বাচি থাকিলো। নতুন জীৱন পালো।
সান্নিধ্যই সানি দিলে প্ৰীতিৰ পৰশ।
মই জীয়াই থাকিলো। জীৱিকাৰ বাবেই নহয়। জীৱনৰ কাৰণেও।
তেওঁ ক'লে, তেওঁবিলাকৰ ভাতে খোৱাবোৱা কৰিবলৈ। মোৰ আপত্তি তেওঁ নুশুনিলে। বেমাৰৰ পাচত মই নিজে কৰি খোৱাটো তেওঁ কোনোমতেই সমৰ্থন কৰিব নোৱাৰে। তেখেতেও কথাটোত জোৰ দিলে।

এজন আপোনজন কোনো নথকা দুৰ্ভগীয়া মানুহ, এগৰাকী নাৰীৰ করুণাময় অন্তৰৰ ভালপোৱাৰে অথাই পানীত পৰিও কক্‌বকাই বাচি থাকিল।

বেমাৰত অকণমান শুশ্ৰূষা, এটুপি পানী ; করুণাময়ী নাৰীৰ এষাৰি সাদৰী মাত, মৰমৰ হাতবুলনি, মোৰ খুব প্ৰয়োজন আছিল। সেয়া হ'ল ভগবানৰ আশীৰ্ব্বাদ।
ভগবানৰ আশীৰ্ব্বাদেৰে মই নমৰি বাচি থাকিলো।
তাৰ বাবে মই চিৰকৃতজ্ঞ।

আৰু তাৰ পিচতো মই তিনিমাহ তেওঁলোকৰ মৰম-চেনেহৰ মাজতে নিজক পাহৰি থাকিলো। তেওঁবিলাকৰ লগতেই খালো-বলো, থাকিলো।

কিন্তু চিৰকালেই অকলশৰীয়া আৰু বঞ্চিত মই তেওঁলোকৰ আদৰ আপ্যায়নত অতিষ্ঠ হলো। তেওঁবিলাকক আমনি দিবলৈ বেয়া পালো।

বেলেগেই খোৱা আৰম্ভ কৰিলো।

কিন্তু তেওঁলোকৰ তাত সদায়েই মোৰ নিমন্ত্ৰণ থাকে। কেতিয়াবা যাওঁ ; কেতিয়াবা নেযাওঁ।

নগলেই তেওঁ ওলাবহি।

"আপুনি বৰ পেট কপটীয়া মানুহ।"

তেওঁ ঠিকেই কয়। মই পেট কপটীয়া মানুহ। মই আজিও সহজ হব নোৱাৰিলো।

তেওঁৰ তালৈ যোৱাত মোৰ কোনো বাধা নাছিল।

তেখেত বৰ ভাল মানুহ। কিন্তু মই সহজ হব নোৱাৰিলো।

—আৰু তেওঁৰ ব্যৱহাৰ!

অকল সাদৰীয়ে নাছিল। ৰহস্যময়ীও।

কি আছে তেওঁৰ মনত। কি ভাবে।

যদি মই ভবা দৰেই তেৰোঁ ভাবে।

আনন্দ, বিষাদ, আশা, নিৰাশা!

পৰিণাম!

এখন সুখৰ সংসাৰ, পতা ঘৰ।

জ্বলি পুৰি শেষ হৈ যাব।

তেখেতৰ দৰে শান্তিপ্ৰিয়, নিৰীহ, অকপট সৰল মানুহজন সেই অগ্নিত জাহ যাব।

আৰু টুটুকণ!

টুটুকণৰ কথা ভাবি বেয়া লাগে।

নিষ্পাপ, নিষ্কলঙ্ক এটি শিশু—স্বৰ্গৰ দেৱদূত।

মোৰ দৰে শনিৰ লগ্নত তাৰ কেতিয়াও জন্ম হোৱা নাই। কিয় তেনে সি মোৰ দৰেই সংসাৰৰ ঘাত-প্ৰতিঘাতৰ ঠেকা-ঠুকলি খাই লেডেনা উকটি ডাঙৰ হব।

মই নিজে শনিৰ লগ্নত জন্ম গ্ৰহণ কৰি এখন শান্তিৰ সংসাৰত শনি গ্ৰহ হৈ সোমাই পৃথিৱীৰ সুখ আৰু শান্তি ধ্বংস কৰাৰ অধিকাৰ মোৰ ক'ত?

মই জীয়া জুইত পৰি ছটফটাই মৰিছো। মোক মুক্তি লাগে। পৰিত্ৰাণ লাগে।

কোনো দিনেই মই হাৰ মনা নাই। পাপ-পুণ্যৰ বিচাৰ কৰা নাই।

আৰু ভগবান!

যদি তোমাৰ তেনে কোনো অভিসন্ধি আছিল—তুমি মোক এই মায়াজালত বান্ধ খুৱাইছিলা কিয়?

আৰু কত অবিবাহিত গাভৰুৰ দৃষ্টি আছিল মোৰ ওপৰত। কিমানে মোক ভাল পালেহেঁতেন। কিমানক মই ভাল পাব পাৰিলোহেঁতেন।

চৰাইটোলৈকো ফৰিংটো স্ৰজন কৰিছা। মইও এখন সংসাৰ পাতিব পাৰিলোহেঁতেন।
অজস্ৰ মৰম ভৰিৰে ঠেলি এই মায়াজালত কিয় সোমালো।
ভগবান যদি তুমি আছা!
দায়ী তুমি।
মোক পৰিত্ৰাণ লাগে।
মই উদাসী আৰু বন-বৰাগী হব পাৰো। কিন্তু মই প্ৰেক্টিকেল মানুহ। মোক সমাধান লাগে। শেষ লাগে।
কোনোদিনে মই হাৰ মনা নাই।
পাপ-পুণ্যৰ বিচাৰ কৰা নাই।
শনিৰ লগ্নত মোৰ জন্ম।
মানুহৰ ভাল-বেয়া, ভবিষ্যত, পাপ-পুণ্যৰ বিচাৰ মহাকালৰ হাতৰ মুঠিত।

মই যেনেকৈ শনিৰ লগ্নত জন্ম লৈ অৱহেলা আৰু লাঞ্ছনাৰ মাজত ডাঙৰ হৈও পৃথিবীৰ মৰম, ভগবানৰ আশীৰ্ব্বাদ পালো, টুটুকণ অকণো ভয় নাই—তুমিও পাবা। ভয় নকৰিবা।
পৃথিবীত সুখ ক'তো নাই। শান্তি ক'তো নাই।
সুখ সন্তোষ হ'ল জীৱনৰ পৰিসমাপ্তি।
ভগবানৰ আশীৰ্ব্বাদ মই পালো।
অপ্ৰত্যাশিত মৰমৰ দান।
তথাপি মোৰ শান্তি ক'ত? সুখ শান্তি ক'তো নাই।

মই আজি স্থিৰ প্ৰতিজ্ঞ। কোনো বাধা নেমানো। 'টুটুকণ', মই তোমাৰ শান্তি নষ্ট কৰাৰ দৰে, তুমিও কাৰবাৰ কৰিবা।

আমি উপলক্ষ্য। ভগবান কাৰণ।

মোৰ মস্তিষ্কৰ প্ৰায় বিকৃতি ঘটাৰ উপক্ৰম হৈছিল।

আৰু আজি; আজিয়েই মই শেষ সমাধান কৰিম।

লাভ-লোকচানৰ ফলাফল মোক নেলাগে। পৰিণামৰ কথা মই নেভাবো।

মোক লাগে শেষ সমাধান।

উঃ! কি যন্ত্ৰণা!

কিহৰ যন্ত্ৰণা? —কি পোৱাৰ আশা!

নিজেই কব নোৱাৰো।

দেহ!

বহুত অনাঘ্ৰাত গাভৰুৰ দেহৰ তপত তেজৰ উমে মোৰ দেহ ৰোমাঞ্চিত কৰিছিল।

বহুত গাভৰুৰ উপভোগৰ অৱসাদেৰে মই ক্লান্ত।

মই কলঙ্কিত।

তেনে;—মৰম!—

নোপোৱা মৰম মই পাইছিলো অনাহূত আৰু অপ্ৰত্যাশিত ভাবেই। প্ৰীতিৰ বান্ধোন, ভালপোৱাৰ বান্ধোনে এখন পৰৰ সংসাৰ—ভালপোৱাৰ সংসাৰ মোৰ নিজৰ কৰি দিছিল।

মইও তেওঁলোকৰে এজন হৈ পৰিছিলো। ভগবানৰ আশীৰ্ব্বাদ তাতকৈ আৰু মোক কি লাগিছিল!

প্ৰেম, ভালপোৱা; মন।

নাৰীক আমি একান্ত ভাৱে পাবলৈ বিচাৰো। নিজৰ কৰি। দেহে-দেহে; মনে-প্ৰাণে।

নিজৰ নহয়। কিন্তু একেবাৰে আপোন ভাৱেই তাকো পাইছিলো।

তেন্তে—কিহৰ আশাত?

কি পাবলৈ বিচাৰিছিলো?

নিজেই কব নোৱাৰিলো। মোৰ নিজৰ মনটোৱে অজ্ঞাত বৈ গ'ল।

কিবা এটা লাগে।

হয়তো এষাৰ কথা। এষাৰ কথাৰ অভাৱত জীৱনটোৱেই অসম্পূৰ্ণ হৈ থাকিব যেন!

এষাৰ কথাৰ অভাৱত আধৰুৱাকৈয়ে জীৱনটোক শেষ কৰি দিয়াত কিমান দুখ!

অথচ সেয়ে ঘটে। সেয়ে হয়।

অনাদৃত আৰু অৱহেলিত মোৰ পিপাসাৰ্ত্ত মনে একো নিবিচৰাকৈয়ে বহুত পাইছিল। বহুত পালে। তথাপি মোৰ শেষ সমাধানৰ প্ৰয়োজন আৰু এই শেষ ক'ত তাকো মই কব নোৱাৰো। মোৰ জ্ঞানৰ বহিভূৰ্ত। এটা সাঁথৰৰ সমাধান

বিচাৰি মই চালে বে বে খেপিয়াইছো—কি কৰোঁতে কি কৰিছো মই নিজেই কব নোৱাৰো।

বিশ্বজয়ৰ আনন্দ মোৰ নিষ্প্ৰভ হৈ যায়। ইয়াব বাবে এদিন মই অনুতাপ কৰিবলৈ নাই।

অনুতাপ বা অনুশোচনাৰ কথাকে ভাবিব নোৱাৰিম।

অনুভূতিয়ে যদি শেষ হৈ যায়!

নাৰী মন জয় কৰাৰ পুৰুষৰ চৰম আনন্দত মই আত্মহাৰা হৈছিলো—আৰু নিজৰ মনকে এদিন বুজিব নোৱাৰিলো।

মনক মই বুজনি দিছো—মোৰ মনক মই জয় কৰিছো। মই প্ৰাণ খুলি হাঁহিম।—

সৰ্ব্বান্তঃকৰণে মই আজি জয়ী।

বিশ্বজয়ৰ আনন্দ মোৰ ধন্য হ'ল। সাৰ্থক হ'ল।

মই নিজকে ধন্য মানিছো।

ৰহস্যাবৃত কৰুণাময়ী নাৰী মনৰ প্ৰীতিৰ পীযূষধাৰা দুকূল বাগৰি যায়। সোঁতে সোঁতে তাৰ বেলেগ জেউতি।

ৰূপত ৰং চৰে।

আমাৰ চকুত চমক লাগে। আমি ভুল বুজো। মোৰ পঙ্কিল মনৰ দুচকুৰ চমক ভাগি মই আজি আচল ৰূপত পবিত্ৰ হৈ পৰিলো।

হে নাৰী! তোমাক অসংখ্য ধন্যবাদ।

তোমাৰ কৰুণা মৰম-চেনেহ আৰু প্ৰীতি ধাৰাই যুগে যুগে পৃথিবীৰ মৰুভূমি সাৰুৱা কৰি তোলক।

তুমি অমৃত সাগৰ।
তুমি মাতা—তুমি ভগ্নী—তুমি জায়া—তুমি প্ৰাণ ॥

—কি ভুলেই মই কৰিছিলো। ভুল ধাৰণাৰ এই কীট মোৰ মনত কিয় সোমাল ?
কি ভয়ঙ্কৰ পাপে মোৰ মনত বাঁহ লৈছিল।
মোৰ মন কিয় সোণ নহল।
কওঁ বুলি গৈয়ো কথাষাৰ কোৱাৰ সুযোগ নহ'ল। সময় নহল। নোকোৱা কথাৰ অব্যক্ত প্ৰকাশে মোৰ বেদনা লাঘব কৰিলে।
শেষ মোৰ পোৱা নহল। কিন্তু মই আজি মুক্ত বিহঙ্গ।
মন মোৰ মকলি হ'ল।
মোৰ মনত আজি পাপ নাই।
মোৰ মন সোণ হল।

মোৰ কঠোৰ জীৱন যাত্ৰাই মোক দিলে পাপ আৰু কৰ্কশতা। তেওঁৰ মৰমে সেই পাপ গভীৰ কৰিলে। কৰ্কশতা হ'ল বেদনাময়।

চকুৰ ঠাৰ—চালচলন, হাবভাব, মাতে কথাই মোক কিহৰ সহাঁৰি দিয়ে—দিছিল।
বুজা নাছিলো। বুজাৰ সাধ্য মোৰ ক'ত !

—বাহিৰৰ বিছনাখনতে আধাশোৱা অৱস্থাত তেওঁ কিতাপখন পঢ়ি আছিল।

ক্ৰাইম্ এণ্ড্ পানিছ্মেণ্ট্।

পাপ আৰু শাস্তি।

কিতাপখন মই পঢ়া নাই। কি আছে নাজানো।

কিতাপখন মেলি একান্ত মনে আপোন পাহৰা হৈ পঢ়ি আছিল—তেওঁ সকলো ক্ষেত্ৰতে আপোন পাহৰা।

আৰু তেখেত ঘৰত নাছিল। নাই বুলি মই জানো। নোহোৱাত যোৱাতো একো কথায়ে নহয়। মই তেওঁবিলাকৰ ঘৰৰে এজন। মনৰ এই ঠোঁটা মোজা অৱস্থাত মই নিজকে অপ্ৰস্তুত বোধ কৰিলো। সঙ্কোচ কৰিছিলো। অস্বস্তি লাগিল।

তেওঁ মোৰ আগত কোনো দিনেই সঙ্কোচ কৰা নাছিল। সঙ্কোচ নকৰে।

আধা শোৱাতে কিতাপখন মেলি পঢ়ি আছিল। বিছনাৰ পৰা নুঠাকৈয়ে মোক বহিবলৈ কলে।

কোৱাৰ কোনো প্ৰয়োজন নাছিল।

বিনা বাক্যব্যয়ে মই বহিলো।

তেওঁ বহা বিছনাখনতে।

সিমানখিনি সান্নিধ্য আমাৰ আছিল।

নাৰী দেহৰ উন্মাদ সান্নিধ্য, নিৰ্জ্জনতা আৰু মোৰ ডেকা মন।

বুঢ়ী জনীও তেতিয়া ঘৰত নাছিল।

আধাশোৱা অৱস্থাতে তেওঁ কিতাপখন বিছনাতে মেলি লৈ কিলাকুটিত ভৰ দি পঢ়ি আছিল। মোৰ আগত তেওঁ বিশেষ ভাবে সাৱধান বা সংযত হোৱাৰ কোনো প্ৰয়োজন বোধেই কৰা নাছিল। মোৰ ফালৰ পৰাও দৃষ্টিকটু একো তেনে ব্যৱহাৰ কোনো দিনেই প্ৰকাশ পোৱা নাছিল। মই সেই বিষয়ে সজাগ সন্ত্ৰস্ত।

তেওঁ মোৰ আগত সদায় মুকলিমূৰীয়া।

তেখেত থাককে বা নেথাকক।

আমি কিন্তু আমাৰ মাজৰ মকৰা সূতাৰ সাঁকো বগাবলৈ যত্ন কৰা নাছিলো। ভৰাও নাছিলো।

আজি দুদিন ধৰি মই মানসিক যন্ত্ৰণাত ডেই পুৰি মৰিছো।

দুশ্চিন্তা আৰু অস্থিৰতা।

মোৰ মানসিক বিকৃতিয়ে ঘটিছিল বুলি কব লাগিব।

নহলে যে ধৰণীৰ ধূলিয়েও মোক ক্ষমা কৰিবলৈ কুণ্ঠাবোধ কৰিব।

কিলাকুটিত ভৰদি মোৰ ফাললৈ মুখখন ঘুৰাই অলপ অভিমান ভৰা কণ্ঠেৰে মোক সুধিলে—

—"আজি দেখোন দুদিনে দেখাদেখি নাই। খবৰ এটাও লোৱা নাই।"

ঘূৰণীয়া জোন মোৰ কাষ চাপি আহিল।

জোনে কথা কলে। কথা নহয়।

জোনৰ পোহৰৰ মিহি ঢউ বোৰে পৃথিবীখন শীতল কৰি দিলে। নিশাবোৰ নীৰব হ'ল।

জোনৰ আবেগৰ ভাষা জোনাকৰ ঢউত বিয়পি গ'ল। জোনে কথা ক'লে।

কথা নহয়। জোনাকৰ ঢউ।

মই অস্বস্তি বোধ কৰিলো। জোনাকৰ ঢউ লাগি মোৰ হিয়া শাঁত নহল।

ডেই পুৰি মৰো ; জোনৰ জোনাকে মোক ডেই পুৰি মাৰে।

সেই অৱস্থাত তেখেতে মোক দেখা হলে বেলিৰ পোহৰো এন্ধাৰ হ'লহেঁতেন।

—তেখেতে মোক কি কৰিলেহেঁতেন!

তেখেতৰ বিভলভাৰৰ গুলি আৰু মোৰ পোৰা বুকু!

মোৰ কাৰণে সেয়াও আশীৰ্বাদেই। কিন্তু তেখেতৰ?

—তেখেতে জানো শান্তি পাব!

পৃথিবীৰ বিশ্বাসঘাটকতাবোৰত মৰিও তেখেত যন্ত্ৰণাত ছাট্‌ফটাই উঠিব।

মোৰ পোৰা বুকু!

আৰু তেওঁ!

তেওঁ কি ভাবিছে!

তেওঁৰ পিঠি মোৰ ফালে। বিছনাখনৰ নিচেই ওচৰতে বহি মই।

একুৰা ৰঙা আঙঠাৰ জুই। এটুকুৰা কেচা-সোণ।
তেওঁৰ গাত বডিজ নাছিল। ঢিলা এখন শাৰী। লাহী কঁকালেৰে মাজচোৱা উদং। বুটাম নমৰা ব্লাউজৰ ফাকেদি প্ৰকট হৈ জিলিকি থকা লোভনীয় অমৃত ধাৰা।
বসন্তৰ কণক চম্পাৰ মাধুৰীৰে ভৰা ভৰ-গাভৰুৰ তৰুণ দেহৰ শিথিল লাৱণ্যত যৌৱনৰ উন্মাদ আকৰ্ষণ—যৌৱনৰ জয় যাত্ৰাৰ বাটত মদনৰ চিৰন্তন আহ্বান। সে মদন ভস্মৰ আগতীয়া প্ৰস্তুতি!

উঃ! মই কি ভাবিছো! মোৰ মূৰ গৰম হৈ উঠে।
তথাপি কোনোৰকম নিজকে সংযত কৰাৰ যত্ন কৰিলো।
মই অকৃতজ্ঞ নহয়।
"তেখেত কেনিবা গ'ল নেকি?"
তেখেতৰ কথা সোধাৰ বাহিৰে মোৰ আন প্ৰশ্ন নোলাল। আন প্ৰশ্ন কৰাৰ উপায়ো নাছিল।
"আপোনাৰ কিবা আমাৰ খবৰ লবৰ দৰকাৰ পৰিছেনে?"
('আমাৰ'! কাৰ? তেখেতৰ আৰু তেওঁৰ, নে তেওঁৰ?)
হয়তো মই ভুলেই বুজিলো।
মনলৈ মোৰ সাহস আহিল।
আজি মই প্ৰাণ খুলি কথা পাতিম। এষাৰ কথাৰ মৰমেৰে মই আজি পৃথিৱী ঢৌৱাই দিম।

"আপোনাৰ—আপোনালোকৰ খবৰ নলৈনো খবৰ লবলৈ মোৰ কোন আছে।"

মোৰ কোনো নাছিল।

তেওঁৰ স্পৰ্শকাতৰ অনুভূতিশীল প্ৰাণত কথাষাৰে যথেষ্ট আঘাত দিলে।

তেওঁ যেন অনুতপ্ত হ'ল। মোৰ আচল দুখৰ ঠাইত আঘাত দিলে তেওঁ ভুলতে।

"নহলেনো এই দুদিনে পাক এটাকে মাৰিব নেপায়নে? ঘৰ সউটোহে।"

ঘৰ সউটো; তেওঁ ইয়াত। আৰু মই তেওঁৰ নিচেই কাষত। মোৰ অস্বস্তি লাগে। মূৰটো জিম্‌জিমাই উঠে। গাটো জলকীয়াই পোৰাদি পুৰে।

নাৰীদেহৰ উত্তপ্ত উম্ আৰু আকৰ্ষণীয় মাদকতা।

কেচা তেজৰ গোন্ধত মতলীয়া বাঘ।

তেখেত থাককে বা নেথাককে, কাষ চাপি কথা কোৱাত আমাৰ বাধা-সঙ্কোচ একো নাছিল। আজিও নাই। আৰু মই! আজি যেন মই তেওঁক নিজৰ বুলি পালো।

...মই তেওঁৰ হাতখন মোৰ মুঠিৰ মাজলৈ টানি ললো। হাতখনত আঙুলী বোলাই তেওঁৰ আঙুলীবোৰ লিৰিকি বিদাৰি—মই কি কম—ভাবি নেপালো।

"এটা কথা আছিল।"

এজন ৰজা আছিল বুলি সহজেই বুঢ়ী আইৰ সাধুকথাৰ পাতনি মেল খায়।

সাধুকথাৰ পাতনি মই মেলিব খুজিছিলো।

"আপোনাক মোৰ এটা কথা কবলৈ থাকিল।"

কথা হ'লে কোৱা নহ'ল।

তেওঁ হাঁহি হাঁহিয়ে কলে—"কথা আপোনাৰ সদায়েই থাকে।"—

'কিমান কথা।' আঁত হেৰোৱা এটা জীৱন। তাৰ বাবে কিমান যুঁজ।

তেওঁৰ দুচকুত ফুটি উঠে আকউ সেই চিৰন্তন বিস্ময়।

—"সেইবোৰ কথা—কথা নহয়।"

"আন কিবা কথাহে। বিশেষ এটা কথা।"

—"আপোনাৰ কিবাকিবি কথাবোৰ বুজিয়ে নেপাওঁ। বুজিবলৈ যত্নও নকৰো, প্ৰয়োজনো নাই।"

[—চক্ খাই উঠো। কিহৰ প্ৰায়োজন নাই? মোৰ!]

—"বেচ আছো।—আপুনিও বেচ্ থাকিলহেঁতেন আমাৰ কথা শুনা হ'লে।"

—আকউ সেই বিয়াৰ কথা।

তেওঁবিলাকে মোৰ বিয়াৰ কাৰণে শেষলৈ বৰকৈয়ে উঠি পৰি লাগিছিল। মই কিন্তু একেবাৰে না কৰি দিলো।

বিয়াৰ বন্দবস্ত কৰিলে, বা বিয়া কৰাবৰ হ'লে মই কৰবালৈ গুচি যাম বুলি কলো।

মোৰ গুছি যোৱাৰ কথা শুনি তেওঁ মনটো আমোলাই পেলাইছিল। তেখেতেও বেয়া পাইছিল।

তেতিয়াৰ পৰা আৰু বিয়াৰ কথা বৰকৈ নকয়।

কলেও পৰোক্ষ ভাবেহে কেতিয়াবা কয়।

"আপুনিও বেচ থাকিলহেঁতেন।"

"শনিয়ে লগ ললে বোলে এটা নীলম পাথৰ লব লাগে।

আপুনিও এটুকুৰা নীলম পাথৰ লওক।"

—নীলকান্তমণি মই পাম ক'ত!

সৰগৰ মুকুতা পাই মই যে এতিয়া চোতালৰ দুবৰি বনতে হেৰুৱাবলৈ লৈছো।

মোৰ ওচৰতে, মোৰ নিচেই কাষতে, মোৰ সৰগৰ মুকুতা।—

মই আকউ ঢুকিয়ে নেপাওঁ।

নীলা বাখৰ মোৰ কিমান দূৰৈত!

কিমান ওচৰ; কিমান দূৰ! সন্তৰ জানো!

এতিয়াও মই দ্বিধা বোধ কৰো।

জোৰ মই কৰিব নোৱাৰো; মই দুৰ্ব্বল।

তথাপি মোৰ প্ৰাণৰ এষাৰ কথা, এষাৰ কথা সুধিবৰ, এষাৰ কথা জানিবলৈ মোৰ অনন্ত হেঁপাহ।

কম। প্ৰাণ খুলি কম। হিয়া উজাৰি মোৰ ৰুদ্ধ হৈ থকা দুৰ্ব্বাৰ চেনেহ বাকি দিম। হিয়া উবুৰিয়াই দিম।

মোৰ অতৃপ্ত আশাৰ অনন্ত হেঁপাহ, অনন্ত প্ৰেমৰ বাসনা প্ৰাণ ভৰি পূৰাই লম।

তেওঁৰ হাত তেতিয়াও মোৰ হাতৰ মুঠিত॥

—"আপুনি জানো আজি চাহ খালে? চাহ আনো ৰ'ব।"

সেৱা-শুশ্ৰূষা আৰু সোধ-পোছ।

মৰম বোৰ যেন বাকি দিব।

তেওঁ মোৰ হাতৰ মুঠিৰ পৰা হাত এৰুৱাই চাহ আনো বুলিয়ে ভিতৰলৈ গ'ল।

—তেওঁ মোক সন্দেহ কৰিলে নেকি! নে মোৰ বুজাৰ ভুল! সন্দেহ কৰিব পৰাৰ একো সহাঁৰিয়ে মই এতিয়ালৈকে দিয়া নাই।

তেওঁ আহিল। একাপ চাহ। দুটা লঙ্কৰা। লঙ্কৰা মই ভাল পাওঁ। তেওঁ জানে।

—"আপোনাক কথা এটা কওঁ কওঁ বুলি ভাবিয়ে কব পৰা নাই।"

তেওঁ মোৰ মনৰ আচল কথাষাৰকে বুজি পালেনেকি?

আজলী হলেও তেওঁ মানুহৰ মনৰ দুখ বুজি পায়। মনৰ ভাষা পঢ়িব পাৰে।

"এনে কি নো কথাটো আছে। কৈ পেলালেই হয়।"

—ভাল চাই ছোৱালী এজনী বন্দৱস্ত কৰি বিয়াখন পাতি দিব লাগে।

"ঘৰ সংসাৰ নথকা ডেকা মানুহৰ ঘৰ এখন পতাৰ বাহিৰে আৰু কি কথাটোনো থাকিব পাৰে।"

—তেওঁ হাঁহি হাঁহিয়ে ক'লে।

তেওঁ এইবাৰ নিজকে অলপ সংযত কৰি ললে।

তেওঁৰ হাতখন আকউ এবাৰ মোৰ হাতৰ মুঠিলৈ আনিলো।

—"তামোল আনো ৰ'ব" বুলিয়ে তেওঁ ভিতৰলৈ সোমাই গ'ল।

তেতিয়াও মোৰ কথা কোৱা নহ'ল।

তেওঁ আহিল।

—"আপুনি চাহ তামোল লৈয়েই ব্যস্ত দেখিছো।

মই আকউ ভাবিছিলো দু-আষাৰ সুখৰ দুখৰ কথা পাতি মনটো পাতলাওঁ।"

তেওঁক মই কোনোদিনেই তুমি বুলি সম্বোধন ধৰা নাই। সদায় আপুনি। ইমান সান্নিধ্যৰ মাজতো আমাৰ মাজত 'আপুনি'য়েই চলি আহিছিল।

মোৰ মুখৰ ওলাই আহিব খোজা 'তোমাৰ' শব্দটো ওঠতেই ৰৈ গ'ল। বৰ জোৰেৰে অপ্ৰকাশ ৰাখিলো।

তেওঁ বুজি পাইছিল! —খুউব বুজি পাইছিল মই কি কব খুজিছো। চকু মুখৰ ভাষাত মই ঠিক বুজি পাইছো—তেওঁ মোৰ মনৰ ভাব সম্পূৰ্ণ বুজি উঠিছে।

অকণো অস্বস্তি বোধ নকৰিলে। অকণো বিচলিত নহ'ল। সহজ হৈয়েই থাকিল।

তেওঁ যেন মোৰ মনৰ কথাষাৰ—মোৰ নোকোৱা ভাষা বুজি পাইছে; অনুভৱ কৰিছে আৰু মোক যেন সহাঁৰি দিব। কিন্তু কিহৰ!

মোৰ চকুৰে মুখে এটা উন্মাদ মাদকতা। অধীৰ অপেক্ষাৰ অধৈৰ্য্য আকুতি। মোৰ মন চঞ্চল। উন্মাদ। আৰু মই! বাহিৰত মই অচঞ্চল; ধীৰ।

কিন্তু তেওঁৰ আগত জানো মোৰ মনৰ কথা লুকাই থাকিব পাৰে।

তেওঁৰ ওঠৰ কঁপনিত মই প্ৰাণৰ স্পন্দন অনুভৱ কৰো। কি কব—কি কব তেওঁ এই মুহূৰ্ত্তত?

ওঠ লৰিল; কথা কলে।

"টুটুকণ",—"টুটুকণ সাৰ পাইছে নেকি?"

টুটুকণ! টুটুকণক এই মুহূৰ্ত্তত আমাৰ মাজত কিয়! শুই আছে; শুই থক।

স্বৰ্গৰ অনন্ত শান্তিৰে শুই থকা টুটুকণ, শুই থাকা।

টুটুকণক আকউ আমাৰ মাজত এই মুহূৰ্ত্তত কিয়!

"টুটুকণ শুই উঠিছে নেকি?"—

—"চাওঁ, এৰক চোন হাতখন, মই টুটুকণক চাই আহোঁ।"

"ইঃ আপোনাৰ হাতখন ইমান কঠুৱা।"

—মোৰ হাত কঠুৱা,—মন কঠুৱা।

দেহ মন মোৰ আঘাতৰ শিলনিত খুন্দাখুন্দলি খাই কঠিন।

মই তেওঁৰ হাতখনত জোৰেৰে এটা হেঁচা দি অনুভৱ কৰিবলৈ

যত্ন কৰো—মোৰ কঠুৱা শিলৰ ৰেখাৰে কঠিন প্ৰাণত কিহবাৰ আবেশ—অনুভূতি।

"টুটুকণ এতিয়া নুঠে। শুইছে।"

"আপোনাৰ আজি অসুখ নেকি?" তেওঁ মোৰ কপালত হাত দিয়ে।

মোৰ অসুখেই।

দেহ মন সকলো ফালৰ পৰাই মই অসুস্থ।

মই অসুখী।

মই জ্বৰ ঘামে ঘামিছিলো। মোৰ জ্বৰেই উঠিছিল। আজি দুদিন ধৰি মোৰ জ্বৰ।

তেওঁৰ হাতৰ পৰশে মোৰ কপালত কিহৰ অনুভূতি আনি দিলে!

কব নোৱাৰিলো। ধৈৰ্য্যৰ বান্ধ মোৰ ভাগি গ'ল।

—"তুমি,—তুমি যদি মোৰ হলাহেঁতেন!"

সংবেদনশীল আমাৰ মন।

আমাৰ মনত গুমৰি মৰা অপ্ৰকাশৰ বেদনাবোৰ।

—আমাৰ মাজৰ মকৰা সূতাৰ সাঁকো। —ছিগি গ'ল।

স্বৰ্গৰ পৰা মই মাটিলৈ খহি পৰিলো।

আকাশৰ তৰা লেখি বাট বুলিছিলো। মাটিৰ বাকৰিত উজুটি খালো।

আকাশ নীলা আৰু পৃথিবী সেউজীয়া।

—মোৰ দুবাহুৰ দুৰ্ব্বল বান্ধত তেওঁ ধৰা নিদিলে।

"আপুনি,—আপুনি।
আপুনি ইমান অসুস্থ। এই বিছনাখনতে শোৱক। মই অলপ চেচা পানী লৈ আহো।
ইঃ! আপোনাৰ ইমান জ্বৰ।"
তেওঁ ভিতৰলৈ সোমাই গ'ল। পানী আনিবলৈকে নেকি?
মই গম পালো; তেওঁ টুটুকণক ইচ্ছা কৰিয়ে তুলি দিলে।
[এটা উন্মত্ত পশুৰ হাতৰ পৰা নিজক ৰক্ষা কৰাৰ শেষ অৱলম্বন।
ক্ষীণ প্ৰচেষ্টা। কিন্তু ভয় নাই।]

—এহাতে এবাটি পানী আৰু কাষত টুটুকণক লৈ তেওঁ আহিল।
মই অবাক হৈ গলো। মোৰ মূৰত আকাশী সৰগ ভাগি পৰিল। মই নিৰ্ব্বাক হৈ গ'লো।
আকাশী সৰগৰ তীব্ৰ জ্যোতিত মই জ্যোতিষ্মান হৈ পৰিলো।
স্বৰ্গৰ বাটত মই দেৱদূত। মোৰ দুকাষে দুখন পাখি।

নাৰী! তুমি ইমান ক্ষমাশীলা হব পাৰা! ইমান নীৰৱ!
—মোৰ কঠিন আৰু নিৰ্ম্মম জীৱন যাত্ৰাই মোক দিলে পাপ আৰু কদৰ্য্যতা।
পঙ্কিল পৃথিবীৰ মই এক অসুন্দৰ সৃষ্টি।
মৰমে মোৰ পাপ গভীৰ কৰি তুলিলে। মৰমে মোক দিলে অনুভূতি।

শেলুৱা শিলত বনৰীয়া ফুল গজিল।
পঙ্কিল পৃথিবীত মই অসুন্দৰ সৃষ্টি।

তুমি মোক অফুৰন্ত আনন্দ দিলা; মৰম দিলা। ক্ষমাই মোৰ পাপ ধুই নাইকীয়া কৰিলে।
সুন্দৰ পৃথিবীৰ মই এক সুন্দৰ সৃষ্টি।
পঙ্কিল পৃথিবীৰ মায়া এৰি আকাশৰ নীলাৰ মাজেদি অজান যাত্ৰাৰ বাটত সুন্দৰৰ বাটে বাটে মই বাট বুলো।
মই দেবদূত।

তোমাৰ কৰুণা আছে। মৰম দিয়া।
তোমাৰ ক্ষমা আছে। তুমি পাপ ধুই নিকা কৰা।
তুমি মহিমাময়।
তোমাক মোৰ শতকোটি নমস্কাৰ।
—অবাক বিস্ময়ত মই হতভম্ব। মই নিৰ্ব্বাক। নীৰৱ।

—"আপুনি দেখোন থৰে থৰে ৰ'ল। বিছনাখনতে শোৱক। জ্বৰ বেচি হে হব।"

অপ্ৰত্যাশিত ভাবে তেখেতো সোমাই আহিল।
মোৰ মূৰটো ঝিম্‌ঝিমাই উঠে।
অসহ্য যন্ত্ৰণাত মই ছট্‌ফটাই উঠো।
কিজানি তেখেতেও সকলো খিনি দেখিছে।

আৰু এক মুহূৰ্ত্তও মই তাত নৰ'লো। জ্বৰৰ গাৰেই কাকো একো নোকোৱাকৈয়ে ওলাই আহিলো।

ওলাই আহিবৰ সময়ত যাওঁ বোলা বিদায়ৰ এষাৰ মাতো দিবলৈ নহল।

শনিৰ লগ্নত মোৰ জন্ম। নীলকান্ত মণি মোৰ সহ্য নহয়।

কাকো একো নোকোৱাকৈ, পাচলৈ এবাৰ ঘূৰি নোচোৱাকৈ দুবছৰীয়া প্ৰীতিৰ অমিয়া বান্ধোন শেষ কৰি মই তাৰ পৰা ওলাই আহিলো।

—এতিয়াই সেই শান্তিৰ পৃথিবীত প্ৰলয়ৰ সৃষ্টি হব।

এটা উচুপনিৰ শব্দ শুনো।

তেওঁ কান্দিছে।—

—"হে ভগবান! মই নিষ্পাপ। তেখেতৰ মনত শান্তি দিয়া!"

কাৰ? মোৰ!

ভগবানৰ পৃথিবীত পাপ পুণ্যৰ বিচাৰ কোনে কৰিব? কোনে? আমি নিজে!

—"মোৰ মনত কোনো পাপ নাই। ভগবান; তুমি তেওঁক ক্ষমা কৰা।"

আকউ সেই উচুপনিৰ শব্দ।

প্ৰাৰ্থনাই মোৰ কাণত বিহ ঢালে। মোৰ বুকুত সেই উচুপনিয়ে শেলে বিন্ধা দি বিন্ধে।

—বেগাবেগিকৈ মই আগবাঢ়ো।

তেখেতৰ শান্ত স্বৰৰ ধ্বনি মোৰ কাণত পৰে।

—"মানুহজনক কিয় ইমান দুখ দিলা?—কিমান দুখী মানুহ দেহি! কোনো কালে মৰম চেনেহ ক'তো পোৱা নাই।

—"নাৰীৰ মহিমাৰে তুমি তেওঁৰ প্ৰাণত শান্তিৰ সন্ধান দিব নোৱাৰিলা।"

—শান্তি! শান্তিৰ সন্ধান মই ক'ত পাম?

আৰু সহানুভূতি! মোৰ প্ৰতি সহানুভূতি!

ভয় আৰু ঘৃণা! শঙ্কা মোৰ আঁতৰি যায়। মই—মুকলি-মূৰীয়া। মই সঙ্কোচবিহীন।

মোৰ প্ৰতি পুতৌ! মোৰ বিতৃষ্ণা জন্মে।

মই দুখীয়া হব পাৰো। কিন্তু আজি আৰু মই দুখী নহওঁ।

এক মুহূৰ্ত্তৰ আগলৈকে৷ মই কিমান দুখী আছিলো। আৰু এই মুহূৰ্ত্তত। এতিয়া ময়ে পৃথিবীত আটাইতকৈ সুখী মানুহ।

তেখেতৰ স্বৰ মোৰ কাণত তেতিয়াও বাজি থাকে।

—"তুমি তেওঁক একো দিব নোৱাৰিলা। —নাৰী জীৱনৰ চৰম সাৰ্থকতাৰে এজনৰ দুখী মন সুখী কৰিবলৈ কিয় চেষ্টা নকৰিলা?"

—"মই চেষ্টা কৰিছিলো। তেখেতে ভুল বুজিলে!"

—উচুপনিৰ শব্দত যেন শেষ বিদায়ৰ কৰুণ কান্দোন, বিচ্ছেদ আৰু ব্যৰ্থতাৰ মৰ্ম্মান্তিক বেদনা।

আৰু মোৰ বুকুত পাই হেৰোৱা সৰগৰ মুকতাৰ বাবে নিঃশেষ আশা।

—"আমাৰ মাজত এই ভুল বুজাবুজি আছে। নাৰী আৰু পুৰুষৰ মাজত সহজ আদান প্ৰদান নথকাৰ কাৰণেই আমি সহজ হব নোৱাৰো আৰু সেই কাৰণেই আমাৰ ইমান দুখ। মানুহ জনৰ মনত চাগৈ কিমান দুখ। বুকুত কিমান আঘাতৰ ঠেকা!"

এইখিনি কথা তেখেতৰ মুখৰ পৰা নুশুনা হলেই বোধ কৰো ভাল আছিল।

—আঘাতৰ ঠেকা খাই আজি আকৌ এবাৰ মই সুন্দৰ হৈ উঠিলো। মোৰ মন মুকলি হ'ল।

ভুল মই কৰিছিলো।—ভুল বুজিছিলো। ভুল মোৰ ভাগিল।

মৰম প্ৰীতিৰ অভাৱত অনুজ্জ্বল মোৰ মন নীলা বাখৰৰ চমক পৰশ লাগি জ্যোতিষ্মান হৈ উঠিল।

—মোৰ জন্ম লগ্নত লগ লোৱা শনি আজি বিদায় ললে।

—মোৰ আগত দীঘলীয়া সৰু বাটটো।

সন্মুখৰ গছ-গছনিৰ মাজৰ শূইনটোৰেদি দূৰৰ বহল পথাৰ-খনৰ সিপাৰৰ আৰু দূৰৰ ধূসৰ মহাশূন্যলৈ চাই পঠালো।

গছ-গছনি, আকাশ-বতাহ, চৰাই-চিৰিকতি; কাৰো কথা, কাৰো ভাষা মই বুজি নেপাওঁ।

কাৰো মন।

ঘৰটোত আৰু নোসোমাওঁ। আছেই বা কি!
চকুৰে য'লৈকে পোনাই —ভৰিয়ে যলৈকে টানি নিয়ে।—
সুমেৰুৰ পৰা কুমেৰুলৈ—মাটিৰ দেশৰ পৰা অথাই পানীৰ সিপাৰ নেদেখা সাগৰলৈ।
বিস্তীর্ণ পৃথিবী আৰু সৌৰ জগত।
মহাকালৰ হাতত নিজকে এৰি দিলো।
ভগবান, তুমি য'লৈকে নিয়া। –
মই য'ত অনুজ্জ্বল।
মৰম চেনেহ প্ৰীতিৰ বান্ধোন য'ত নাই।

পৃথিবীৰ বুকুত অনন্তকাল শুই থকা মহাকাল। —মহাশক্তি – মহাশূন্য। মোৰ একো নাই। মায়া মোহ, প্ৰীতিৰ বান্ধোন। —মুক্ত বিহঙ্গ মই।
সৰগৰ মুকুতা মই পাই হেৰুৱালো। আৰু মোৰ পাবৰ হাবিয়াহ নাই। পঙ্কিল মই আজি পাপমুক্ত।
ভগবান—মহাকালৰ বুকুত অনন্ত কাললৈ মই লীন যাওঁ।
পৃথিবীত ইমান সুখ, প্ৰেম, ভালপোৱা—মৰম-প্ৰীতি।
মোৰ কি নাছিল!
প্ৰেম, ভালপোৱা, সুখ-আনন্দ, মৰম-চেনেহ, প্ৰীতিৰ বান্ধোন।
—মোহ; আশা।

শনিৰ লগ্নত মোৰ জন্ম।
সৰগৰ মুকুতা মই পাই হেৰুৱালো।

উচুপনিৰ মাজেদিও যদি মানুহৰ দুখবোৰ পাতলিলহেঁতেন! পোৱাৰ বাবে হেঁপাহবোৰ যদি পাই হেৰুৱাৰ বেদনাতে কমিলহেঁতেন।
—দুদিনীয়া সংসাৰলৈ অন্ধ মোহ। এৰি আহিবলৈকো প্ৰাণত ইমান কান্দোন।
এৰি যাবলৈকো বৰ বেয়া লাগিছে।
ইমান দুখ।
উঃ! পৃথিৱীত ইমান দুখ।
তেখেত, তেওঁ আৰু টুটু। —সুখেৰে থাকা। —তোমালোকৰ মঙ্গল হওক!
মই আৰু তোমালোক!
মই শনিগ্ৰহ সোমাই তোমালোকৰ কিমান অপকাৰ কৰিলোহেঁতেন।—
তেওঁ আৰু তেখেত।
তোমালোকক নমস্কাৰ॥

—অন্ত—